www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, NOVEMBER 22, 2024 ■ শুকুৰবাৰ, ৬ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.com ৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১৯ Guwahati, Assam ।। মূল্যঃ এটকা

## মহানগৰীত আকৌ ডকাইতি

ই-সংবাদ, ২১ নৱেম্বৰঃ গুৱাহাটী মহানগৰীত নিতৌ চুৰি, ডকাইতিৰ দৰে ঘটনা বৃদ্ধি ৭ পৃষ্ঠাত চাওক

## অৱশেষত জামিন পালে মাৰ্শ্বেলে



ই-সংবাদ, ২১ নৱেম্বৰঃ মহানগৰীৰ ভৰলুত পথৰ দাঁতিৰ দেৱালত গুৱাহাটীৰ গছ ৰক্ষাৰ শেষাংশ ৪ পৃষ্ঠাত

### অন্ধ্ৰৰ তদানীন্তন মুখ্যমন্ত্ৰী জগনমোহনকো দিছিল উৎকোচ

## আদানিৰ কেলেংকাৰীৰ অসম সংযোগ, ২৫ বছৰৰ বাবে 'আজুৰ'ৰ সৈতে চৰকাৰে কৰিছিল চুক্তি!

ই-সংবাদ, ২১ নৱেম্বৰঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটৰ্ণীয়ে ভাৰতীয় ধনকুবেৰ গৌতম আদানি আৰু আজুৰ পাৱাৰৰ প্ৰাক্তন বিষয়াৰ বিৰুদ্ধে ভুৱা তথ্য দি আমেৰিকাৰ বহু শেষাংশ ৮ পৃষ্ঠাত





## বিধানসভা চৌহদত বিশেষ প্ৰকল্প মুকলি



ই-সংবাদ, ২১ নৱেম্বৰঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শেষাংশ ৫ পৃষ্ঠাত

### শ্বেয়াৰ মাৰ্কেটত হোৰাহোৰে পতন, এদিনতে ২ লাখ কোটিৰ ক্ষতি

# গৌতম আদানিৰ বিৰুদ্ধে আমেৰিকাত গ্ৰেপ্তাৰী পৰোৱানা

- ২০৬০ কোটি টকাৰ উৎকোচ কাণ্ড পোহৰলৈ
- সকলোধৰণৰ চুক্তি বাতিল কেনিয়া চৰকাৰৰ



নিউয়ৰ্ক, ২১ নৱেম্বৰঃ গৌতম আদানি আৰু তেওঁৰ ভতিজা সাগৰ আদানিৰ বিৰুদ্ধে আমেৰিকাত জাৰি হৈছে গ্ৰেপ্তাৰী পৰোৱানা। ২৫৬ মিলিয়ন ডলাৰৰ উৎকোচ দিবলৈ ষড়যন্ত্ৰ ৰচনা কৰাৰ অভিযোগত ভাৰতৰ এইগৰাকী ধনকুবেৰৰ ব্যৱসায়ীৰ শেষাংশ ২ পৃষ্ঠাত

### ৰাহুল গান্ধীৰ দাবী

## আদানিক গ্ৰেপ্তাৰ কৰক

নতুন দিল্লী, ২১ নৱেম্বৰঃ আকৌ বিপদ বাঢ়িছে দেশৰ আটাইতকৈ ধনাঢ্য পুঁজিপতি গৌতম শেষাংশ ৪ পৃষ্ঠাত

### দিনজানৰ নাও দুৰ্ঘটনা কাণ্ড

## আত্মসমৰ্পণ মূল অভিযুক্তৰ

ই-সংবাদ, ডুমডুমা, ২১ নৱেম্বৰঃ অৱশেষত আত্মসমৰ্পন কৰিলে তিনিচুকীয়াৰ পানীতোলা আৰক্ষী চকীৰ অন্তৰ্গত দিনজানৰ নাও দুৰ্ঘটনাত জড়িত মানৱৰূপী দানৱ শেষাংশ ৫ পৃষ্ঠাত

## বিপদ আসন্ন মণিপুৰৰ মুখ্যমন্ত্ৰীৰ

ইম্ফল, ২১ নৱেম্বৰঃ অশান্ত মণিপুৰক লৈ এইবাৰ নিজ দলৰ বিধায়কৰে ক্ষোভৰ সন্মুখীন হৈছে মুখ্যমন্ত্ৰী এন বীৰেন সিং। বিগত প্ৰায় ডেৰ বছৰ ধৰি গোষ্ঠীগত শেষাংশ ৫ পৃষ্ঠাত

### আহোম স্বৰ্গদেউসকলক শ্ৰদ্ধাৰে স্মৰণ

## বিশ্ব ঐতিহ্য সপ্তাহত চৰাইদেউ মৈদামত সৰ্বানন্দ

সোণাৰিৰপৰা অভিজিৎ ভূঞা, ২১ নৱেম্বৰঃ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভৰ পাছত প্ৰথমবাৰলৈ চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ আজি শেষাংশ ৩ পৃষ্ঠাত



## মুছলপুৰত গ্ৰেপ্তাৰ ৭ ভুৱা পৰীক্ষাৰ্থী

ই-সংবাদ, মুছলপুৰ, ২১ নৱেম্বৰঃ সমগ্ৰ ৰাজ্যতে চলি থকা অসম আৰক্ষী কনিষ্টবল নিযুক্তি শেষাংশ ৪ পৃষ্ঠাত

## ১৭ হাজাৰ হোৱাটছএপ একাউণ্ট বন্ধ

নতুন দিল্লী, ২১ নৱেম্বৰঃ বহিঃৰাষ্ট্ৰৰ পৰা হোৱাটছএপৰ জৰিয়তে দুষ্কৃতিকাৰীয়ে ভাৰতত মেলিছে প্ৰতাৰণাৰ জাল। ভাৰতৰ ক্ৰমাগতভাৱে বৃদ্ধি পোৱা চাইবাৰ অপৰাধ, ডিজিটেল গ্ৰেপ্তাৰৰ দৰে ঘটনা প্ৰতিৰোধৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে গ্ৰহণ কৰিছে এক উল্লেখনীয় পদক্ষেপ। এই পদক্ষেপৰ অংশ হিচাপে কেন্দ্ৰৰ গৃহ মন্ত্ৰালয়ে চাইবাৰ জালিয়াতি চলাই অহা কেইবা সহস্ৰাধিক হোৱাটছএপ একাউণ্ট চিনাক্ত কৰিছে। এক সূত্ৰ অনুসৰি, মন্ত্ৰালয়ে শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌতম আদানিৰ বিৰুদ্ধে আমেৰিকাত

বিৰুদ্ধে নিউয়ৰ্কৰ এখন আদালতে জাৰি কৰিছে এই গ্ৰেপ্তাৰী পৰোৱানা। আদানিৰ বিৰুদ্ধে এই অভিযোগ উত্থাপিত কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ কমিশ্যন আৰু এটৰ্নিৰ কাৰ্যালয়ে। আমেৰিকাৰ এটৰ্নিৰ কাৰ্যালয়ৰ তথ্য অনুসৰি এই দুৰ্নীতি আৰু উৎকোচ গোচৰত গৌতম আদানি প্ৰত্যক্ষভাৱে জড়িত আছিল। অভিযোগ অনুসৰি ২০২০ চনৰ পৰা ২০২৪ চনৰ ভিতৰত ভাৰত চৰকাৰৰ এগৰাকী বিষয়াৰ সৈতে কেইবাবাৰো সাক্ষাৎ কৰি উৎকোচ প্ৰদানৰ বিষয়ে আলোচনা কৰিছিল গৌতম আদানীয়ে।বিবৃতিটোত উল্লেখ কৰা হৈছে যে "সৌৰ প্ৰকল্পৰ চুক্তি লাভ কৰিবলৈ ভাৰত চৰকাৰৰ বিষয়াসকলক ২৫ কোটি মাৰ্কিন ডলাৰ উৎকোচৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল।" গৌতম আদানি আৰু তেওঁৰ ভতিজা সাগৰ আদানিক আদানি গ্ৰীণ এনাৰ্জি লিমিটেডৰ বিষয়া হিচাপে দুৰ্নীতিৰ সৈতে জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। তেওঁলোকৰ লগতে আদানি গ্ৰুপৰ এজুৰ পাৱাৰ গ্ল'বেল লিমিটেডৰ কৰ্মচাৰী চাইৰিল কেবেনৰ বিৰুদ্ধেও অভিযোগ উত্থাপন হৈছে। এছ ই চিৰ অভিযোগ অনুসৰি গৌতম আৰু সাগৰ আদানিয়ে ফেডাৰেল ছিকিউৰিটিজ আইনসমূহৰ জালিয়াতি বিৰোধী বিধান উলংঘা কৰিছে। ইয়াৰ উপৰিও ব্ৰুকলিনৰ এখন ফেডাৰেল আদালতে গৌতম আৰু সাগৰ আদানিৰ লগতে ২০২০ চনৰ পৰা ২০২৩ চনলৈকে আদানি গ্ৰীণৰ চিইঅ' হিচাপে কাৰ্যনিৰ্বাহ কৰা বিনীত এছ জৈনৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। তেওঁলোকৰ বিৰুদ্ধে আমেৰিকাৰ বিনিয়োগকাৰী আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানক ভুৱা তথ্যৰে প্ৰতাৰণা কৰাৰ লগতে কোটি কোটি টকাৰ পুঁজি সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগনামাত ইয়াৰ উপৰিও অভিযোগ কৰা হৈছে যে নিউয়ৰ্ক ষ্টক এক্সচেঞ্জত একাধিক কোম্পানীয়ে ক্ৰয়-বিক্ৰয় কৰিছিল আৰু কিছুমান প্ৰাক্তন বিষয়া-যেনে ৰঞ্জিত গুপ্তা, ৰূপেশ আগৰৱাল আৰু কানাডাৰ এটা বিনিয়োগ সংস্থাৰ কিছুমান কৰ্মচাৰী দুৰ্নীতিৰ সৈতে জড়িত আছিল। তেওঁলোকৰ বিৰুদ্ধে বিদেশী দুৰ্নীতি আইন উলংঘা কৰাৰ ষড়যন্ত্ৰৰ অভিযোগ উত্থাপন হৈছে। এফ বি আইৰ সহকাৰী সঞ্চালক জেমছ ই ডেনেহীয়ে কয়, "গৌতম আদানি আৰু আন সাতজন ব্যৱসায়িক কাৰ্যবাহীয়ে তেওঁলোকৰ কোম্পানীসমূহৰ সুবিধাৰ বাবে ভাৰত চৰকাৰক উৎকোচ দিছিল। তেওঁলোকে ঘোচ আৰু দুৰ্নীতিৰ গোচৰ ঢাকি ৰাখিবলৈ তদন্তত বাধা দিবলৈও চেষ্টা কৰিছিল।" এটৰ্নিৰ কাৰ্যালয়ে দাবী কৰে যে, "২০২০ চনৰ পৰা ২০২৪ চনৰ ভিতৰত অভিযুক্তসকলে ভাৰত চৰকাৰৰ বিষয়াসকলক ২৫ কোটি মাৰ্কিন ডলাৰ উৎকোচ দি সৌৰশক্তি প্ৰকল্পৰ চুক্তি লাভ কৰাৰ পৰিকল্পনা কৰিছিল। এই চুক্তিসমূহৰ দ্বাৰা অহা ২০ বছৰত তেওঁলোকৰ কোম্পানীসমূহে ২ বিলিয়ন ডলাৰতকৈ অধিক লাভ অৰ্জন কৰিলেহেঁতেন।" এছ ই চিৰ প্ৰতিবেদন অনুসৰি আদানি গ্ৰীনে আমেৰিকাৰ বিনিয়োগকাৰীৰ পৰা ১৭৫ মিলিয়ন ডলাৰতকৈ অধিক ধন সংগ্ৰহ কৰিছিল আৰু এজুৰ পাৱাৰৰ শ্বেয়াৰ নিউয়ৰ্ক ষ্টক এক্সচেঞ্জত ক্ৰয়-বিক্ৰয় কৰা হৈছিল। ইফালে ভাৰতৰ ধনকুবেৰ গৌতম আদানিৰ বিৰুদ্ধে এই উৎকোচৰ অভিযোগ উত্থাপন হোৱাৰ পিছতে পুনৰ এবাৰ আদানি আৰু মোদী চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বিৰোধী দলসমূহ। কংগ্ৰেছৰ মুখপাত্ৰ জয়ৰাম ৰমেশে কয়, "নিউয়ৰ্কৰ এটৰ্নিৰ কাৰ্যালয়ৰ এই অভিযোগে ২০২৩ চনৰ জানুৱাৰী মাহৰ পৰাই আমি কৰি অহা আদানি কেলেংকাৰিৰ যৌথ সংসদীয় সমিতিৰ তদন্তৰ দাবীক পুনৰ দৃঢ় কৰিছে। আমি প্ৰধানমন্ত্ৰী আৰু তেওঁৰ ঘনিষ্ঠ ব্যৱসায়ীসকলৰ মাজৰ সম্পৰ্কক লৈ ১০০টা প্ৰশ্ন কৰিছিলো। কিন্তু তাৰ কোনোটোৰে উত্তৰ আমি আজিও লাভ কৰা নাই।" ইফালে আদানিৰ প্ৰসংগত বৃহস্পতিবাৰে এখন সংবাদমেল সম্বোধন কৰি সৰৱ হৈ পৰে কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীও। তেওঁ গৌতম আদানিৰ গ্ৰেপ্তাৰৰ দাবী জনোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আদানিক সুৰক্ষা প্ৰদান কৰা বুলিও বিস্ফোৰক অভিযোগ উত্থাপন কৰে। ইফালে, মাৰ্কিন ন্যায় বিভাগে আদানিৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাৰ পিছতে আদানি গ্ৰুপৰ শ্বেয়াৰ হোৱাহোৰে হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। অষ্ট্ৰেলিয়াৰ ছিকিউৰিটি এক্সচেঞ্জত বৃহস্পতিবাৰৰ দিনটোত আদানি গ্ৰুপৰ শ্বেয়াৰ ২৩ শতাংশলৈ অৱনমিত হয়। আদানি গ্ৰুপৰ মুখ্য কোম্পানী আদানি এণ্টাৰপ্ৰাইজৰ শ্বেয়াৰ ২০ শতাংশ হ্ৰাস পোৱাৰ লগতে আদানি স্পৰ্টছৰ শ্বেয়াৰ হ্ৰাস পাই ১৫ শতাংশ। আদানি গ্ৰীণ এনাৰ্জি আৰু আদানি টোটেল গেছৰো শ্বেয়াৰ ১০-২০ শতাংশ পৰ্ত্ত অৱনমিত হোৱাৰ বাতৰি প্ৰকাশ পাইছে। ইয়াৰ ফলত এটা দিনতে প্ৰায় ২ লাখ কোটি টকাৰ লোকচানৰ সন্মুখীন হৈছে আদানি গ্ৰুপ। আনহাতে, ভয়ংকৰ দুৰ্নীতিৰ অভিযোগৰ বাতৰি পোহৰলৈ অহাৰ পিছতে ইয়াৰ প্ৰভাৱ পৰা দেখা গৈছে কেনিয়াতো। দেশখনত আদানি গ্ৰুপে কেবা মিলিয়ন ডলাৰৰ প্ৰকল্প ৰূপায়ণৰ বাবে স্থানীয় চৰকাৰৰ সৈতে চুক্তিবদ্ধ হৈছিল। এই লৈ কেনিয়াত বিগত সময়ছোৱাত প্ৰতিবাদো হৈ আহিছিল যদিও চৰকাৰে গুৰুত্বসহকাৰে লোৱা নাছিল। কিন্তু আজি কেনিয়াৰ ৰাষ্ট্ৰপতি উইলিয়াম ৰুটোৱে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ আদানি গ্ৰুপৰ সৈতে সম্পন্ন কৰা সকলো চুক্তি বাতিল কৰাৰ কথা ঘোষণা কৰিছে। বাতিল কৰা চুক্তি সমূহৰ ভিতৰত বিকৰ্কিত জমো কেনিয়াট্টা আন্তৰ্জাতিক বিমান বন্দৰ অধিগ্ৰহণৰ চুক্তিও আছে। এনেদৰে এতিয়া সৰ্বত্ৰে লোকচনাৰ সন্মুখীন হবলগীয়াত পৰিছে আদানি। অৱশ্যে আদানি গ্ৰুপে মাৰ্কিন ন্যায় বিভাগৰ অভিযোগক পোনছাটেই খণ্ডন কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৭ হাজাৰ হোৱাটছএপ একাউণ্ট বন্ধ

এনে ১৭ হাজাৰ হোৱাটছএপ একাউণ্ট চিনাক্ত কৰিছে, যাৰ জৰিয়তে দেশত ডিজিটেল প্ৰৱঞ্চনা চলাই আহিছিল চাইবাৰ অপৰাধীয়ে। লক্ষণীয় যে, এনে হোৱাটছএপ একাউণ্টৰ অধিকাংশই কম্বোডিয়া, লাওছ, ম্যানমাৰ, থাইলেণ্ডৰ দৰে বহিঃৰাষ্ট্ৰৰ পৰা চলাই থকা হৈছিল। উল্লেখ্য যে, বিগত কেইমাহমানৰ পৰা সমগ্ৰ দেশতে বিভিন্ন ধৰণৰ চাইবাৰ জালিয়াতিৰ ঘটনা সংঘটিত হৈ আহিছে। তাৰ ভিতৰত জনসাধাৰণৰ মাজত আটাইতকৈ বেছি উদ্বেগজনক বিষয়টো হ'ল 'ডিজিটেল গ্ৰেপ্তাৰ'। যাক লৈ ইতিমধ্যে সৰৱ হৈছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও। এনে অভিযোগ বাৰে বাৰে পোহৰলৈ অহাৰ পিছতে চাইবাৰ অপৰাধ নিয়ন্ত্ৰণৰ বাবে তৎপৰ হৈ পৰে গৃহ মন্ত্ৰালয়। সূত্ৰ অনুসৰি, মন্ত্ৰালয়ৰ নিৰীক্ষণৰ সময়ত কেইবাটাও সন্দেহজনক একাউণ্টৰ তথ্য লাভ কৰে। ইয়াৰ পিছতে কেন্দ্ৰই হোৱাটছএপ কৰ্তৃপক্ষক সেই একাউণ্টসমূহ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে। সূত্ৰ অনুসৰি বহু ক্ষেত্ৰত ভাৰতীয় নাগৰিকক চাইবাৰ অপৰাধীয়ে প্ৰলোভিত কৰি লাওছ, কম্বোডিয়া, ম্যানমাৰৰ দৰে দেশত কাম কৰিবলৈ প্ৰলোভিত কৰে। ইয়াৰ পিছত অনলাইনৰ জৰিয়তে তেওঁলোকৰ ধন চুৰি হোৱা বুলি কেইবাটাও অভিযোগ উত্থাপন হৈছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ চাইবাৰ উইঙৰ এক সূত্ৰৰ মতে, চাইবাৰ অপৰাধীয়ে 'ডিজিটেল গ্ৰেপ্তাৰ'ৰ জৰিয়তে প্ৰতিদিনে প্ৰায় ৬ কোটি টকা প্ৰতাৰণা কৰি আহিছে। চলিত বৰ্ষৰ প্ৰথম ১০ মাহত অৰ্থাৎ অক্টোবৰ পৰ্যন্ত চাইবাৰ অপৰাধীয়ে ২১৪০ কোটি টকা লুটি নিছে ভাৰতীয় নাগৰিকৰ পৰা। অক্টোবৰ পৰ্যন্ত দেশত ৯২ হাজাৰ ৩৩৪টা চাইবাৰ অপৰাধৰ গোচৰ ৰুজু হৈছে। সমগ্ৰ দেশতে ডিজিটেল গ্ৰেপ্তাৰৰ ধাৰাবাহিকতাক লৈ উদ্বেগ প্ৰকাশ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তাৰ লগতে তেওঁ এই প্ৰৱঞ্চনাৰ পৰা কেনেকৈ হাত সাৰিব পাৰি, কি কৰিব লাগে তাৰ কিছু উপায়ো আগবঢ়ায়। 'ডিজিটেল গ্ৰেপ্তাৰ' বুলি কোনো কথা নাই বুলিও তেওঁ বাৰ্তা প্ৰদান কৰে। দেশৰ কোনো আইনত এনে গ্ৰেপ্তাৰৰ কথা উল্লেখ কৰা হোৱা নাই। এনে ঘটনাৰ বিষয়ে নাগৰিকক সজাগ কৰাৰ বাবে উদ্যোগ লৈছে কেন্দ্ৰই। কিন্তু তাৰ পিছতো ডিজিটেল গ্ৰেপ্তাৰৰ জালত পৰি বহু লোক প্ৰতিদিনে সৰ্বস্বান্ত হৈছে। লক্ষণীয় যে, 'ডিজিটেল গ্ৰেপ্তাৰ'ত যদিও নামত গ্ৰেপ্তাৰ শব্দটো আছে, তথাপিও এই বাক্যাংশটোৰ লগত গ্ৰেপ্তাৰৰ কোনো সম্পৰ্ক নাই। এয়া হৈছে আচলতে চাইবাৰ জালিয়াতিৰ ফান্দ। ই হৈ পৰিছে অনলাইন প্ৰৱঞ্চকৰ হাতৰ নতুন 'অস্ত্ৰ'। "ডিজিটেল গ্ৰেপ্তাৰ" প্ৰৱঞ্চকে কেন্দ্ৰীয় তদন্তকাৰী চৰকাৰৰ চিবিআই, মাদক দ্ৰব্য শাখা, আৰবিআই, ট্ৰাই, শুল্ক আৰু আয়কৰৰ বিষয়াৰ ৰূপ লৈ সাধাৰণ লোকক প্ৰলোভিত কৰে। এই সময়ত ফান্দত পেলাবলৈ প্ৰৱঞ্চকে ব্যক্তিজনৰ বিৰুদ্ধে বা তেওঁৰ কোনো ঘনিষ্ঠ আত্মীয়ৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। ইয়াৰ পিছত আইনী ব্যৱস্থা গ্ৰহণৰ ভাবুকি প্ৰদান কৰি ব্যক্তিজনৰ পৰা ধন দাবী কৰে প্ৰবঞ্চকে। শেহতীয়াকৈ এই ধৰণৰ ঘটনা বৃদ্ধি পাবলৈ লোৱা বাবেই চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশ্ব ঐতিহ্য সপ্তাহত চৰাইদেউ মৈদামত

আহোম ৰাজত্ব কালৰ প্ৰথমটো স্থায়ী ৰাজধানী তথা পৰৱৰ্ত্তী সময়ত আহোম স্বৰ্গদেউ সকলৰ পবিত্ৰ সমাধিস্থলীত পৰিণত হোৱা চৰাইদেউ মৈদাম ক্ষেত্ৰত উপস্থিত হ'ল কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। চৰাইদেউ মৈদাম ক্ষেত্ৰত অনুষ্ঠিত 'বিশ্ব ঐতিহ্য সপ্তাহ' উদযাপনৰ অংশ হিচাপে আজি কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে চৰাইদেউ মৈদাম স্থলীত উপস্থিত হৈ যুগজয়ী আহোম স্বৰ্গদেউসকলৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনায় কয়, "বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতিপ্ৰাপ্ত চৰাইদেউ মৈদাম আহোম যুগৰ স্থাপত্যবিদ্যাৰ এক অনন্য নিদৰ্শন, যিয়ে মহান স্বৰ্গদেউসকলৰ ৰাজত্বকালৰ চানেকি বহন কৰি আহিছে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল প্ৰচেষ্টাত চৰাইদেউ মৈদামে ইউনেস্কোৰ 'বিশ্ব ঐতিহ্য ক্ষেত্ৰ'ৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ বাবে অসমবাসী মোদী ডাঙৰীয়াৰ প্ৰতি সদায় কৃতজ্ঞ হৈ ৰ'ব। চৰাইদেউ মৈদামৰ ঐতিহ্য জাকত-জিলিকা হৈ থাকক আৰু মহান স্বৰ্গদেউসকলৰ অম্লান আদৰ্শ তথা কৰ্মচেতনাই ৰাষ্ট্ৰ নিৰ্মাণৰ যাত্ৰাত আমাক পথ প্ৰদৰ্শন কৰি যাওক, তাৰেই কামনা কৰিলোঁ।" আজি চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শনৰ এই সময়ছোৱাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে উপস্থিত থাকে সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম পেট্ৰ'-কেমিকেলছ্ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল। সৰ্বানন্দ সোণোৱালে লগতে উল্লেখ কৰে, "মহান আহোম স্বৰ্গদেউসকলৰ শৌৰ্য-বীৰ্য, বীৰত্ব আৰু অদম্য সাহসৰ স্মৃতিগাথা বহন কৰি অহা চৰাইদেউৰ মৈদামসমূহ বৃহত্তৰ অসমীয়া জাতিৰ বাবে স্বাভিমান আৰু গৌৰৱৰ প্ৰতীক। সদ্যঘোষিত ইউনেস্কোৰ বিশ্ব ঐতিহ্য স্থলীৰ তালিকা (সাংস্কৃতিক শাখা)ত চৰাইদেউৰ মৈদামো অন্তৰ্ভুক্ত হোৱাত আমি অতিশয় আনন্দিত হৈছো। মৈদামসমূহলৈ এই অনন্য স্বীকৃতিয়ে যুগজয়ী আহোম স্বৰ্গদেউসকলৰ বৰ্ণাঢ্য ইতিহাস বিশ্বদৰবাৰত জিলিকাই তুলিব। টাই আহোমসকলৰ বৰ্ণিল ইতিহাসক এইদৰে বিশ্ব প্ৰেক্ষাপটত জিলিকাই তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰা অসমবাসীৰ সুহৃদ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। উক্ত তালিকাত স্থান লাভ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম ঐতিহ্য স্থলী হিচাপে পৰিগণিত হোৱা চৰাইদেউৰ মৈদামসমূহ ভ্ৰমণ কৰি আহোম যুগৰ অনন্য স্থাপত্যশৈলী তথা চহকী ঐতিহ্যৰ সাক্ষী হ'বলৈ পৰ্যটকসকলক আহ্বান জনালো। প্ৰায় ৬০০ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱময় অধ্যায়ৰ চানেকি ধৰি ৰখা মৈদামসমূহৰ এই বিশ্বজনীন স্বীকৃতিয়ে অসমীয়া জাতিক উদ্বুদ্ধ কৰিছে আৰু মহান আহোম স্বৰ্গদেউসকলৰ আদৰ্শেৰে স্বদেশ-স্বজাতিৰ হকে নিষ্ঠাৰে কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰিছে।" সোণোৱালে লগতে কয়, "স্বৰ্গদেউ চাওলুং ছ্যুকাফাই তেৰ শতিকাতে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীক লগত লৈ 'সাত ৰাজ সামৰি এক ৰাজ' কৰা নীতিৰে ইয়াত সুশাসনৰ পাতনি মেলিছিল, বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। সেই একেই আদৰ্শক সাৰোগত কৰি 'সবকা সাথ, সবকা বিকাশ' নীতিৰে মোদী ডাঙৰীয়াই ভাৰতবৰ্ষৰ জনগণক ঐক্যবদ্ধ কৰি এখন শক্তিশালী, বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ পথ প্ৰশস্ত কৰিছে। মোদী ডাঙৰীয়াই 'সবকা সাথ, সবকা বিকাশ' নীতিৰে ভাৰতৰ প্ৰতিটো জাতি-জনগোষ্ঠীক লগত লৈ সকলোৰে মৰ্যাদাৰ বাবে যি যাত্ৰা আৰম্ভ কৰিলে, সেই যাত্ৰা হৈছে সমন্বয়ৰ যাত্ৰা, ভাৰতবৰ্ষক শক্তিশালী কৰাৰ যাত্ৰা, সৰ্বস্তৰৰ নাগৰিকৰ সবলীকৰণৰ যাত্ৰা।" উল্লেখ্য যে, চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ আঁৰত মুখ্যমন্ত্ৰী হৈ থকা কালতেই সৰ্বানন্দ সোণোৱালে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আহোম ৰাজত্বকালৰ গৌৰৱময় অস্তিত্ব বহনকাৰী চৰাইদেউ মৈদামৰ আন্তঃগাথনি উন্নয়নৰ বাবে সোণোৱালে মুখ্যমন্ত্ৰী হৈ থকাৰ কালছোৱাত বিশেষ পেকেজ ঘোষণা কৰি কিছু আঁচনি ৰূপায়ণত আগভাগ লৈছিল। তেওঁ ২০২০ চনত চৰাইদেউত ৰাজ্য চৰকাৰৰ উদ্যোগত "মে-ডাম্-মে-ফী"ৰ আয়োজনত আগভাগ লোৱাৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক চৰাইদেউৰ ঐতিহ্যৰ বিষয়ে অৱগত কৰি এই পবিত্ৰ স্থলৰ গুৰুত্ব ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিবলৈ অনুৰোধ জনাইছিল। চৰাইদেউ মৈদামে যাতে বিশ্ব ঐতিহ্য স্থলীৰ মৰ্যাদা লাভ কৰিব পাৰে, তাৰ বাবে তদানীন্তন মুখ্যমন্ত্ৰী সোণোৱালৰ নিৰ্দেশত অসম চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰীসকলৰ উপস্থিতিত কেইবাখনো পৰ্যালোচনা বৈঠক অনুষ্ঠিত হৈছিল। ২০১৭ চনৰ ফেব্ৰুৱাৰীত পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ চৰাইদেউৰ অধিৱেশনত সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰি চৰাইদেউ অঞ্চলত এক সাংস্কৃতিক ক্ষেত্ৰ প্ৰতিষ্ঠা কৰা হ'ব বুলি মুকলি সভাত ঘোষণা কৰি আৰম্ভণিতে পাঁচ কোটি টকা বাজেটত ধৰা হ'ব বুলি ঘোষণা কৰে। সেই ঘোষণা অনুসৰি সেইবাৰৰ বাজেটত ধনৰাশি ধৰাও হৈছিল। পৰৱৰ্তী বছৰত পুৰাতত্ব শিতানত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ বাবে পঁচিশ কোটিৰ আবণ্টন দিয়া হৈছিল। তদানীন্তন মন্ত্ৰীৰ দায়িত্বত আছিল কেশৱ মহন্ত। তদুপৰি কেন্দ্ৰীয় পুৰাতাত্ত্বিক বিভাগৰ প্ৰাক্তন সঞ্চালক ড° কে চি ন'ৰিয়ালক মুখ্য দায়িত্ব দি অসম চৰকাৰে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশমৰ্মে এখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিয়ে আৰু সমিতিয়ে যাৱতীয় কাম আৰম্ভ কৰে। চৰকাৰে ২৫ কোটি টকা মুকলিও কৰি দিয়ে। সেইমতে ড° কিযাণচান্দ ন'ৰিয়ালৰ নেতৃত্বত সকলো সমস্যা, প্ৰত্যাহ্বান আওকাণ কৰি সময়তকৈ বহুত আগতেই মূল ডচিয়াৰ তৈয়াৰ কৰি দিল্লীত দাখিল কৰে। পৰৱৰ্তীকালত কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত সবিশেষ অৱগত আৰু উপস্থাপন কৰি ডচিয়াৰখন ইউনেস্কোলৈ পঠিওৱাত আগভাগ লয়।

৬নং পৃষ্ঠাৰ পৰা...

# অশান্ত মণিপুৰত অব্যাহত প্ৰতিবাদ

পিছতে পুনৰ উত্তপ্ত হৈ পৰিছে পাহাৰীয়া ৰাজ্যখন। এই হত্যাকাণ্ডৰ বিৰুদ্ধে ইম্ফল পশ্চিম জিলাৰ উৰিপৰ ক্ৰছিঙৰ সমীপত ১৬ নৱেম্বৰৰ পৰা অনিৰ্দিষ্টকালীন অনশন কাৰ্যসূচী ৰূপায়ণ কৰি আছে উৰিপক আপুনবা লুপ আৰু উৰিপক নুপি আপুনবা লুপে। এই হত্যাকাণ্ডৰ দোষীসকলক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী জনাই বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত অনশন অব্যাহত থাকিব বুলি স্পষ্ট কৰি দিছে প্ৰতিবাদকাৰীয়ে। মোদী চৰকাৰৰ 'বেটী বচাও, বেটী পঢ়াও' আঁচনিৰ ফলপ্ৰসূতাক লৈ প্ৰশ্ন উত্থাপন কৰি কেন্দ্ৰীয় চৰকাৰৰ বিফলতাক লৈও সৰৱ হৈ পৰে প্ৰতিবাদকাৰীসকল। লক্ষণীয় যে, প্ৰতিদিনেই বাঢ়ি আছে এই আন্দোলনৰ পৰিসৰ। সমগ্ৰ জিৰিবামলৈ বিয়পি পৰা এই প্ৰতিবাদত অংশগ্ৰহণ কৰিছে হাজাৰ হাজাৰ মণিপুৰবাসীয়ে। দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰা পযন্ত এই প্ৰতিবাদ থমকি নৰয় বুলি চৰকাৰক সকীয়াই দিছে প্ৰতিবাদকাৰীসকলে। জিৰিবামৰ এই নৃশংস হত্যাকাণ্ডৰ বিৰুদ্ধে বৃহস্পতিবাৰে থৌবাল জিলাৰ ৰাজপথতো তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে সহস্ৰাধিক লোকে। প্ৰতিবাদকাৰীয়ে শীঘ্ৰে অভিযুক্তক গ্ৰেপ্তাৰ কৰি উচিত শাস্তি বিহিবলৈ চৰকাৰক দাবী জনায়। তদুপৰি শেহতীয়াকৈ ৰাজ্য চৰকাৰে ছয়টা থানা এলেকাত পুনৰ জাপি দিয়া সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায় প্ৰতিবাদকাৰীসকলে। এই প্ৰতিবাদৰ সময়ত চৰকাৰ বিৰোধী নানান শ্লোগানেৰে থৌবালৰ ৰাজপথ কঁপাই তোলে প্ৰতিবাদকাৰীয়ে। ইফালে, ৰাজ্যখনৰ জেডিইউৰ বিধায়ক কে জয়কিষাণ সিঙৰ বাসভৱনত আক্ৰমণ চলাই প্ৰতিবাদকাৰী দুৰ্বৃত্তই নগদ ১৮ লাখ টকা আৰু ১.৫ কোটি টকাৰ আ-অলংকাৰ লুট কৰি নিয়াৰ অভিযোগ উত্থাপিত হৈছে। ঘটনা সন্দৰ্ভত বিধায়কজনৰ মাতৃয়ে স্থানীয় ইম্ফল আৰক্ষী থানাত এজাহাৰো দাখিল কৰে। উল্লেখ্য যে প্ৰতিবাদকাৰীসকলে ১৩ বিধায়কৰ লগতে মুখ্যমন্ত্ৰীৰ ঘৰতো আক্ৰমণ চলাইছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদানিক গ্ৰেপ্তাৰ কৰক

আদানিৰ। শেহতীয়াকৈ উৎকোচ কাণ্ডত নাম সাঙোৰ খাই পৰাৰ পিছতে আদানিৰ বিৰুদ্ধে পুনৰ এবাৰ সৰৱ হৈ পৰিছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী। উদ্যোগপতি গৌতম আদানিৰ গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰি এক সংবাদমেলত ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো এই প্ৰসংগত আক্ৰমণৰ লক্ষ্য কৰি লয়। প্ৰধানমন্ত্ৰীয়ে বন্ধু আদানিক সুৰক্ষা প্ৰদান কৰাৰো স্পষ্ট অভিযোগ উত্থাপন কৰে গান্ধীয়ে। উল্লেখ্য যে, আমেৰিকাত ভাৰতীয় বিষয়াক কোটি কোটি টকাৰ উৎকোচৰ প্ৰস্তাৱ আৰু বিত্তীয় কেলেংকাৰীৰ অভিযোগ উত্থাপন হৈছে গৌতম আদানিকে ধৰি সাতজনৰ বিৰুদ্ধে। এই অভিযোগক কেন্দ্ৰ কৰি ভাৰতত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তে বৃহস্পতিবাৰে বিয়লি সংবাদমেলত ভাৰতীয় উদ্যোগপতিজনৰ বিৰুদ্ধে সৰৱ হৈ পৰে ৰাহুল গান্ধীও। সংবাদমেলত প্ৰধানমন্ত্ৰী মোদী আৰু গৌতম আদানি একেলগে বহু থকা এখন ফটো প্ৰদৰ্শন কৰি ৰাহুল গান্ধীয়ে কয়, "মোদী আৰু আদানি দুয়োজনেই দুৰ্নীতিগ্ৰস্ত। আজিয়েই আদানিক গ্ৰেপ্তাৰ কৰি জেৰা কৰিব লাগে। কিন্তু আদানিজীক গ্ৰেপ্তাৰ কৰাৰ ক্ষমতা প্ৰধানমন্ত্ৰীৰ নাই। কাৰণ, তেওঁ নিজেই আদানিৰ দ্বাৰা নিয়ন্ত্ৰিত।" এই বিষয়ত সংসদৰ আগন্তুক শীতকালীন অধিৱেশনত কংগ্ৰেছ সৰৱ হ'ব কয় ৰাহুলে। কংগ্ৰেছ নেতাগৰাকীয়ে আদানিয়ে ভাৰতক 'হাইজেক' কৰি ১০০০ কোটি টকাৰ দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগো উত্থাপন কৰে। এনে পৰিপ্ৰেক্ষিতত ৰাহুল গান্ধীয়ে মোদীৰ বিৰুদ্ধে 'দুৰ্নীতিগ্ৰস্ত' আদানিক সুৰক্ষা দিয়াৰ অভিযোগ উত্থাপন কৰি ছেবি প্ৰধান মাধৱী পুৰী বুচৰ বিৰুদ্ধেও তদন্তৰ দাবী জনায়। উল্লেখ্য যে, শেহতীয়াকৈ আমেৰিকাৰ এজেন্সী হিণ্ডেনবাৰ্গে অভিযোগ উত্থাপন কৰিছে যে আদানিৰ বহিঃৰাজ্যলৈ যোৱা ধনৰ লগত ছেবিৰ মুৰব্বী মাধৱী আৰু তেওঁৰ স্বামী ধাবাল বুচ জড়িত আছিল। ইয়াৰ পিছত দেশৰ বিৰোধী দলসমূহে এই বিষয়ত তদন্তৰ দাবী জনায়। বৃহস্পতিবাৰে ৰাহুলে অভিযোগ কৰে যে আদানিৰ ধনেৰে বিজেপি চলিছে। শেহতীয়াকৈ মহাৰাষ্ট্ৰৰ নিৰ্বাচনী প্ৰচাৰৰ সময়তো ৰাহুলে আদানি-বিজেপিৰ সম্পৰ্কৰ অভিযোগ উত্থাপন কৰি দাবী কৰিছিল যে মোদীয়ে মুম্বাই বিমানবন্দৰৰ পিছত ধাৰাৱী বস্তিৰ মাটি আদানিক গতাই দিব বিচাৰে। তাৰ পৰা আদানিয়ে ১ লাখ কোটি টকা উপাৰ্জন কৰিব বুলি দাবী কৰে ৰাহুলে। মন কৰিবলগীয়া যে, ভাৰতত সৌৰ প্ৰকল্পৰ বাবে ভাৰত চৰকাৰৰ বিষয়াক ২২৩৭ কোটি টকাৰ উৎকোচ দিয়াৰ অভিযোগ উত্থাপন হৈছে আদানিৰ বিৰুদ্ধে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি গৌতম আদানি আৰু তেওঁৰ ভতিজা সাগৰ আদানি দুয়োৰে বিৰুদ্ধে আমেৰিকা প্ৰশাসনে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। অভিযোগ অনুসৰি, আদানি গ্ৰুপে ভাৰতৰ সৌৰ শক্তি প্ৰকল্পৰ বাবে চৰকাৰী বিষয়াক প্ৰায় ২২৩৭ কোটি টকা উৎকোচ দিয়াৰ প্ৰস্তাৱ দিছিল, যিটো প্ৰকল্পৰ পৰা ২০ বছৰত ২০০ বিলিয়ন ডলাৰ উপাৰ্জন হ'ব বুলি আশা কৰা হৈছে। ইফালে এই উৎকোচৰ গোচৰত জড়িত আছে গৌতম আদানিৰ ভতিজা সাগৰ আদানিও। ইয়াৰ বাহিৰেও সেই তালিকাত আৰু বহুতৰে নাম সংযোজন কৰা হৈছে। ভাৰতৰ সৰ্ববৃহৎ সৌৰশক্তি প্ৰকল্পৰ বাবে এই বৃহৎ পৰিমাণৰ ধনৰ বাবে আদানিকে ধৰি ৭ জন লোকে ভাৰতীয় বিষয়াক উৎকোচ দিয়াৰ অভিযোগ উত্থাপন হৈছে। প্ৰাথমিক সূত্ৰই জনোৱা মতে, নিউয়ৰ্কৰ ইষ্টাৰ্ণ ডিষ্ট্ৰিক্টত উৎকোচৰ প্ৰস্তাৱ দিয়া হৈছিল। আৰু সেইবাবেই ব্ৰুকলিন ফেডাৰেল কোৰ্ট অৱ আমেৰিকাই আদানিৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। ইয়াৰ পিছতে এতিয়া দেশজুৰি পুনৰ চৰ্চালৈ আহিছে আদানি।

■ ৬নং পৃষ্ঠাৰ পৰা...

# অৱশেষত জামিন পালে মাৰ্শ্বেলে

দাবীত ছবি অংকন কৰি গ্ৰেপ্তাৰ হৈ গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰত ন্যায়িক জিম্মাত থকা চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু ৰাইজৰ দলৰ ভাতৃ সংগঠনৰ নেতা অংকুমান বৰদলৈক আজি জামিন প্ৰদান কৰিছে আদালতে। গুৱাহাটীৰ কামৰূপ জিলা সত্ৰ ন্যায়াধীশৰ আদালতে জামিন প্ৰদান কৰিছে চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু সহযোগী অংকুমানক। আজিয়েই মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈ মুকলি আকাশৰ তললৈ ওলাই আহে। কেবাগৰাকী শুভকাংক্ষী আৰু অধিবক্তাই প্ৰথমে ভৰলুমুখ আৰক্ষী থানা আৰু তাৰ পিছতে লখৰাৰ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি কৰি আনে দুয়োজনকে। আজি কামৰূপ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত জামিনৰ শুনানিৰ সময়ত মাৰ্শ্বেল আৰু অংকুমানৰ হৈ যুক্তি প্ৰদৰ্শন কৰিছিল অধিবক্তা শান্তনু বৰঠাকুৰে। চৰকাৰী অধিবক্তাই জামিনৰ বিৰোধ কৰিছিল যদিও শেষত আদালতে জামিন প্ৰদান কৰে। দুৰ্ধৰ্ষ অপৰাধীৰ দৰে ব্যৱহাৰ কৰি গুৱাহাটী আৰক্ষীয়ে চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা আৰু অংকুমান বৰদলৈক গ্ৰেপ্তাৰ কৰিছিল। ৰাজ্যৰ উদিয়মান চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱাক ২৪ ঘণ্টা ধৰি জেৰাৰ অন্তত গুৱাহাটী মহানগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ১০ নৱেম্বৰৰ পুৱতি নিশা এটা কোঠাৰ পৰি ধৰি আনি ২৪ ঘণ্টা ভৰলুমুখ থানাত ৰাখি চিত্ৰশিল্পী আৰু সহযোগীক গ্ৰেপ্তাৰ কৰা হৈছিল। ১০ নৱেম্বৰৰ পুৱতি নিশা আটক কৰি ১১ নৱেম্বৰত ভৰলুমুখ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। এটা দিন আৰু এটা নিশা আৰক্ষী থানাত জেৰা কৰি পিছদিনা পুৱাই গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাত ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল মাৰ্শ্বেল আৰু অংকুমানক। উল্লেখ্য যে, ৯ নৱেম্বৰৰ নিশা ভৰলুমুখত মাৰ্শ্বেল বৰুৱা আৰু কেইজনমান সহযোগীয়ে পথৰ দাঁতিৰ দেৱালত এখন ছবি অংকন কৰিছিল। এই ছবিখনৰ জৰিয়তে সেঁতু নিৰ্মাণৰ নামত ভৰলুমুখৰ গছ কাটিব খোজা কাৰ্যৰ বিৰোধ কৰিছিল। এই চিত্ৰখনত এটা শব্দ 'কিক হিমন্ত ছেভ নেচাৰ' লিখা আছিল। ইয়াৰ পিছতে আক্ৰমণাত্মক হৈ পৰে আৰক্ষী আৰু ফটো পোহৰলৈ অহাৰ পাছতে চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা, অংকুমান বৰদলৈ আৰু কমল কুমাৰক আটক কৰে। অৱশ্যে সেই নিশাই কমল কুমাৰক মুকলি কৰি দিছিল আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুছলপুৰত গ্ৰেপ্তাৰ ৭ ভুৱা পৰীক্ষাৰ্থী

পৰীক্ষা দিবলৈ আহি বাক্সাত ধৰা পৰিল ৭ গৰাকী ভুৱা পৰীক্ষাৰ্থী। জিলাখনৰ বৰবৰী আৰক্ষী চাউনীত যোৱা এমাহৰ পৰা চলি আছিল অসম আৰক্ষী কনিষ্টবল নিযুক্তিৰ শাৰিৰীক সক্ষমতাৰ পৰীক্ষা। কালিও আৰক্ষী চাউনীৰ ভিতৰত থকা খেলপথাৰত শাৰীৰিক সক্ষমতাৰ পৰীক্ষা চলি আছিল। সেই অনুসৰি বিভিন্ন প্ৰান্তৰ পাঁচ শতাধিক যুৱক-যুৱতী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। কিন্তু পৰীক্ষা নিয়ন্ত্ৰকে প্ৰাৰ্থীসকলৰ নথি-পত্ৰ পৰীক্ষা কৰাত কেবাগৰাকী ভুৱা প্ৰাৰ্থী ধৰা পৰে। এইসকল ভুৱা প্ৰাৰ্থীয়ে আবেদনকাৰী প্ৰাৰ্থীৰ বিপৰীতে শাৰিৰীক সক্ষমতাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৎক্ষণিকভাৱে আৰক্ষীয়ে ভুৱা প্ৰাৰ্থী তথা আবেদনকাৰী প্ৰাৰ্থীসকলক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা যুৱক কেইজনক ক্ৰমে বাক্সা জিলাৰ শালবাৰীৰ সতীশ বসুমতাৰী, ফুংখা বড়ো, মহেশ্বৰ মুছাহাৰী, লেৰঠুম বসুমতাৰী, সীমান্ত বসুমতাৰী, সৌমখৌৰ খেৰকটাৰী আৰু আন গৰাকী হৈছে খৌৰাং বসুমতাৰী। জানিব পৰা মতে, খৌৰাং বসুমতাৰী হৈছে এগৰাকী আৰক্ষী জোৱান। তৃতীয় আৰক্ষী বেটেলিয়নৰ জোৱান খৌৰাং বসুমতাৰীয়ে সুদূৰ যোৰহাটৰ পৰা এএছ ২৮ ডি ৫৭৪২ নম্বৰৰ এখন বিলাসী বাহন লৈ বাক্সাৰ বৰবৰীলৈ আহি সৌমখৌৰ খেৰকটাৰীৰ হৈ শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। আৰক্ষীৰ উচ্চপদস্থ বিষয়াই জানিবলৈ দিয়া অনুসৰি প্ৰকৃত প্ৰাৰ্থী সতীশ বসুমতাৰীৰ হৈ পৰীক্ষাত অৱতীৰ্ণ হৈছিল ৰাখেৱ বসুমতাৰী, মহেশ্বৰ বসুমতাৰীৰ হৈ লেৰথুম বসুমতাৰী, সীমান্ত বসুমতাৰীৰ হৈ পুংখা বড়ো আৰু সৌমখৌৰ খেৰকটাৰীৰ হৈ খৌৰাং বসুমতাৰী অৱতীৰ্ণ হৈছিল পৰীক্ষাত। অৱশ্যে ইয়াৰে এগৰাকী অভিযুক্ত ৰাখেৱ বসুমতাৰী বৰ্তমানেও পলাতক হৈ আছে। ইতিমধ্যে প্ৰকৃত পৰিচয় পোহৰলৈ অহাৰ পিছতে আটাইকেইগৰাকী অপৰাধীকে গ্ৰেপ্তাৰ কৰে বৰবৰী আৰক্ষীয়ে। সম্প্ৰতি অধিক তথ্যৰ বাবে বাক্সা আৰক্ষীৰ শীৰ্ষ আৰক্ষী বিষয়াই আটাইকেইজনকে জেৰা অব্যাহত ৰাখিছে। এনেদৰে ভুৱা পৰীক্ষাৰ্থী ধৰা পৰা ঘটনাই সমগ্ৰ বাক্সা জিলাতেই চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# বিধানসভা চৌহদত বিশেষ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

উপাধ্যক্ষ নোমল মমিনৰ উপস্থিতিত আজি অসম বিধানসভাৰ চৌহদত কেইবাটাও অত্যাধুনিক ব্যৱস্থা মুকলি কৰা হয়। অসম বিধান সভাৰ ভৱনৰ সন্মুখৰ মুকলি অংশত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিধানসভাৰ আদেশ-নিয়ন্ত্ৰণ কক্ষ, নতুন কেফেটেৰীয়া, ডিজিটেল কৰিডৰ, স্মাৰ্ট খুঁটা আৰু ঐতিহাসিক কছাৰী ৰাজ্যৰ চহকী স্থাপত্য কলাৰ অন্যতম অনুপম নিদৰ্শন শৈল ভাস্কৰ্যৰ বিশেষ স্তম্ভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। অত্যাধুনিক ব্যৱস্থাসমূহ মুকলি কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অসম বিধানসভা চৌহদত গণতন্ত্ৰৰ মন্দিৰটিক নব্য ৰূপত সজাবলৈ আজি কেইবাটাও বিশেষ প্ৰকল্পৰ শুভ উদ্বোধন কৰি আহ্লাদিত হৈছো। কাৰ্যসূচীত বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শন প্ৰত্যক্ষ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, “আমাৰ সভ্যতা তথা কৃষ্টি-সংস্কৃতিক প্ৰতিনিধিত্ব কৰা বৰণীয়া নান্দনিক অনুষ্ঠান উপভোগেৰে সময়খিনি আৰু ধুনীয়া হৈ পৰিল। আমি জনজাতীয় কৃষ্টি-সংস্কৃতি সংৰক্ষণৰ বাবে আমি নিৰন্তৰভাৱে প্ৰয়াস চলাই আহিছো। হেঙেৰাবাৰীৰ অমৃত উদ্যানত ডিমাচাসকলৰ মহান সংগ্ৰামীকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বমুঠ ৮গৰাকী জনজাতীয় স্বাধীনতা সংগ্ৰামীৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। জনজাতীয় লোকসকলৰ বাবে বিভিন্ন উন্নয়নমুখী পদক্ষেপ গ্ৰহণ কৰিছো।” আজিৰ এই কাৰ্যসূচীত কেবাগৰাকী মন্ত্ৰী আৰু প্ৰায় দুকুৰি বিধায়ক উপস্থিত থাকে। আটায়েই বিধানসভা চৌহদৰ নতুন ৰূপ দেখি অভিভূত হৈ পৰে।

# আত্মসমৰ্পণ মূল অভিযুক্তৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

অমৰিশ মিপুনে। বুধবাৰে পুৱা জোনাই আৰক্ষী থানাত আত্মসমৰ্পন কৰি নিজৰ দোষ স্বীকাৰ কৰিলে মিপুনে। প্ৰথম অৱস্থাত অধিক সোধা-পোছাৰ বাবে জোনাই আৰক্ষী থানাত ৰখা অমৰিশ মিপুনক পৰৱৰ্তী সময়ত তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ সৈতে যোগাযোগ কৰি তিনিচুকীয়ালৈ প্ৰেৰণ কৰে অমৰিশ মিপুনক। উল্লেখ্য যে, দেওবাৰে ডিব্ৰু নৈৰ দিনজান ঘাটত সংঘটিত হৈছিল এক মৰ্মান্তিক ঘটনা। আনৰ জীৱন বচোৱা মনোজ পাহাৰীয়া নামৰ লোকজনক অমৰিশ মিপুনে নাৱত উঠাত বাধা প্ৰদান কৰিছিল। বাৰে বাৰে নাৱত উঠিবলৈ চেষ্টা কৰা মনোজ পাহাৰীয়াক ভৰিৰে লথিয়াই লথিয়াই ডিব্ৰু নৈৰ বুকুত পেলাই দিছিল। তেতিয়াৰ পৰা সন্ধানহীন হৈ আছে মনোজ পাহাৰীয়া। ৰাজ্য কঁপাই যোৱা সমগ্ৰ কাণ্ডৰ শিহৰণকাৰী ভিডিঅ' ভাইৰেল হৈছিল ছ'চিয়েল মিডিয়াত। তাৰ পাছতেই তিনিচুকীয়া আৰক্ষীয়ে মূল অভিযুক্তক বিচাৰি অভিযান আৰম্ভ কৰিছিল যদিও পলাতক অৱস্থাত আছিল অমৰিশ মিপুন। কেইবাদিন ধৰি পলায়ন কৰাৰ পাছত বুধবাৰে অমৰিশ মিপুনে আত্মসমৰ্পন কৰে। তেওঁ কয় যে, ব্যক্তিগত সংঘাতৰ বাবে তেওঁ এনে কাণ্ড সংঘটিত কৰিছে। কিছুদিন পূৰ্বে মাছ ধৰাক কেন্দ্ৰ কৰি অমৰিশ আৰু মনোজৰ মাজত কাজিয়া হৈছিল। সেই কাজিয়াৰ পৰিণতিতেই অমৰিশে মনোজক নাৱত উঠিবলৈ দিয়া নাছিল। ঘটনাৰ বিৱৰণী অনুসৰি, সুদূৰ লাইকাৰ পৰা এখন নাৱৰ দ্বাৰা কেইবাজনো লোক দেওবাৰে পানীতোলাৰ দিনজানৰ দেওবৰীয়া বজাৰলৈ বুলি আহিছিল। কিন্তু আবেলিৰ ভাগত বজাৰ কৰি উভতাৰ পথতেই সংঘটিত ডিব্ৰু নৈত সংঘটিত হ'য় এই শোকাবহ নাও দুৰ্ঘটনাটি। দিনজান ঘাটৰ পৰা এখন নাৱেৰে একাংশ যাত্ৰীক দধীয়া লাইকা অভিমুখে লৈ গৈছিল। ১০গৰাকী যাত্ৰীৰ বোজা সহিব নোৱাৰি নাওখন লাহে লাহে পানীৰ মাজত সোমাই গৈছিল। প্ৰাণৰ মমতাত নাৱৰ যাত্ৰীসকলে চিঞৰি আছিল আৰু তেতিয়াই ভগৱানৰ দূত ৰূপী মনোজ পাহাৰীয়াই ডিব্ৰু নৈত জঁপিয়াই পৰিছিল। এজন এজনকৈ ৪ জনলোকক গভীৰ পানীৰ উদ্ধাৰ কৰি ভাগৰি পৰিছিল মনোজ পাহাৰীয়া। পৰৱৰ্তী সময়ত নাৱত উঠি মনোজে নিজৰ প্ৰাণ ৰক্ষা কৰিব বিচাৰিছিল যদিও দানৱৰূপী মানৱ মিপুনে মনোজ পাহাৰীয়াক নাৱত উঠিব দিয়া নাছিল। বাৰে বাৰে ভৰিৰে ঠেলি, লথিয়াই লথিয়াই পানীত পেলাই দিয়াত তেতিয়াৰ পৰা সন্ধানহীন হৈ আছে মনোজ পাহাৰীয়া। আৰক্ষী, এছডিআৰএফ, এনডিআৰএফ বাহিনীয়ে মনোজক বিচাৰি অভিযান চলাইছে যদিও এতিয়ালৈকে তেওঁক উদ্ধাৰ কৰিব পৰা নাই।

# বিপদ আসন্ন মণিপুৰৰ মুখ্যমন্ত্ৰীৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

হিংসাত জ্বলি থকা মণিপুৰৰ মুখ্যমন্ত্ৰীগৰাকীৰ উদ্দেশ্যক লৈ প্ৰশ্ন উত্থাপন কৰিছে বিজেপিৰে একাংশ বিধায়কে। ইয়াৰোপৰি আন একাংশ বিধায়ক এখোজ আগুৱাই গৈ মণিপুৰৰ অচলাৱস্থাৰ বাবে মুখ্যমন্ত্ৰী বীৰেন সিঙকে জগৰীয়া কৰি সৰৱ হৈ পৰিছে। সোমবাৰে মুখ্যমন্ত্ৰীয়ে আহ্বান কৰা বৈঠকত অনুপস্থিত থকা এজন বিধায়কে দ্য ইণ্ডিয়ান এক্সপ্ৰেছক কয়, ‘তেওঁ (বীৰেনে) ৰাজ্যৰ আইন-শৃংখলাৰ পৰিস্থিতি পুনৰীক্ষণৰ বাবে সভাখন আহ্বান কৰা বুলি দাবী কৰিছিল। কিন্তু এই বৈঠকত তেওঁ যুটীয়া বাহিনী, ৰাজ্যিক আৰক্ষীৰ ডি জি, নিৰাপত্তা উপদেষ্টা, চি আৰ পি এফৰ মুখ্য সচিব আৰু অসম ৰাইফলছৰ আই জিক মাতি আনিব পাৰিলেহেঁতেন। বিধায়কৰ সভা আহ্বান কৰি তেওঁ নিজৰ লক্ষ্যত উপনীত হ'বনে?” তেওঁ লগতে কয়, "মণিপুৰৰ আইন-শৃংখলা পৰিস্থিতি সন্দৰ্ভত বৈঠকত কোনো প্ৰস্তাৱ গৃহীত হোৱা নাই।" বৈঠকত গৃহীত হোৱা বিষয়সমূহৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ সৈতে কোনো সম্পৰ্ক নাই বুলিও দাবী কৰে বিজেপি বিধায়কগৰাকীয়ে। প্ৰসংগক্ৰমে মণিপুৰৰ পৰিস্থিতি সন্দৰ্ভত দেশ-বিদেশৰ হেঁচাত সোমবাৰে সন্ধিয়া ৬ বজাত মুখ্যমন্ত্ৰী বীৰেন সিঙে মণিপুৰৰ ৰাজধানী ইম্ফলত এখন বৈঠক আহ্বান কৰে। সেই বৈঠকত বিজেপি আৰু এন ডি এৰ অন্যান্য অংশীদাৰ দলৰ ২৭ জন বিধায়ক উপস্থিত আছিল যদিও ১১ জন বিধায়ক অনুপস্থিত আছিল। অনুপস্থিত বিধায়কসকলৰ ভিতৰত ৬ জন বিধায়কে শাৰীৰিক অসুস্থতাৰ কাৰণ বুলি উল্লেখ কৰাৰ বিপৰীতে আন ৫ জন বিধায়কে কোনো কাৰণ নেদেখুৱাকৈয়ে অনুপস্থিত থাকে। বৈঠকত উপস্থিত থকা প্ৰায় সকলো এন ডি এ বিধায়কে কুকি উগ্ৰপন্থীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ইয়াৰ উপৰিও বিধায়কসকলে মেইটেই প্ৰধান ইম্ফল উপত্যকাৰ ছয়খন থানাত সেনাবাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনায়। এই দাবী দুটা প্ৰস্তাৱৰ ৰূপত দাখিল কৰাৰ পাছত এন ডি এৰ বিধায়কসকলে সতৰ্কতাৰ সুৰত কয় যে যদি কেন্দ্ৰই তেওঁলোকৰ কথা এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত মানি নলয় তেন্তে তেওঁলোকে ৰাইজৰ পৰামৰ্শৰে ভৱিষ্যতৰ কাৰ্যপন্থা সিদ্ধান্ত ল'ব। বৈঠকত বিজেপিৰ আন এজন বিধায়কে মণিপুৰৰ মুখ্যমন্ত্ৰীক তীক্ষ্ণ বাক্যবানেৰে আক্ৰমণ কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীৰ উদ্দেশ্য ভাল নহয়। আৰু সেইবাবেই এই সংকট এতিয়াও চলি আছে। এই সমস্যাৰ একমাত্ৰ সমাধান হ'ল দুয়োপক্ষকে আলোচনাৰ টেবুললৈ অনা।” এইগৰাকী বিজেপি বিধায়কেও বৈঠকত অংশগ্ৰহণ নকৰাৰ কাৰণ স্পষ্ট কৰে। তেওঁ লগতে কয় যে ইতিমধ্যে এনে বৈঠক কেইবাখনো অনুষ্ঠিত হৈছে। বিধায়কগৰাকীয়ে অভিযোগ উত্থাপন কৰি কয় যে বৈঠকৰ পিছত সকলোৱে মিলি হাঁহি হাঁহি এখন ফটো তোলে আৰু সেই ফটোখন দিল্লীলৈ প্ৰেৰণ কৰে। কিন্তু বৈঠকত বিধায়কসকলৰ পৰা কেতিয়াও কোনো পৰামৰ্শ বা মতামত বিচৰা হোৱা নাই বুলিও অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে, শেহতীয়াকৈ মণিপুৰৰ জিৰিবামত কুকি উগ্ৰপন্থী আৰু চি আৰ পি এফ জোৱানৰ মাজত গুলীচালনা সংঘটিত হৈছে। অভিযোগ অনুসৰি সেই সময়ত কুকি উগ্ৰপন্থীৰ এটা দলে মেইটেই সম্প্ৰদায়ৰ তিনিগৰাকী মহিলা আৰু তিনিটা শিশুক অপহৰণ কৰিছিল। পিছত দুটা পৰ্যায়ত উদ্ধাৰ কৰা হয় ৬ জন লোকৰ মৃতদেহ। তেওঁলোকৰ মৃতদেহ চিনাক্ত হোৱা নাই। অৱশ্যে অপহৃত ছয়জন লোকৰ মৃতদেহ নদীত ওপঙি যোৱাৰ অভিযোগ কৰিছে বহু লোকে। মৃতদেহ উদ্ধাৰ হোৱাৰ পিছত মণিপুৰত পুনৰ উত্তেজনা বৃদ্ধি পায়। অভিযুক্তক গ্ৰেপ্তাৰ আৰু শাস্তি প্ৰদানৰ দাবীত ইম্ফলৰ ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰে সাধাৰণ জনতাই। এনেদৰে আজিও অস্থিৰ হৈ আছে সমগ্ৰ মণিপুৰ।




### শীঘ্ৰে জনজাতিকৰণ, স্বায়ত্ব শাসন প্ৰদানৰ দাবী

# তিনিচুকীয়াত 'আটাছু'ৰ জোঁৰ সমদল

**ই-সংবাদ, ডুমডুমা, ২১ নবেম্বৰঃ** সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত টাই আহোম ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিয়ে টাই আহোম জনগোষ্ঠীক জনজাতিকৰণ আৰু স্বায়ত্ব শাসন প্ৰদানৰ দাবীত আজি সন্ধিয়া তিনিচুকীয়া চহৰত এক জোঁৰ সমদল উলিয়ায়। 'আটাছু'ৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি উৎপল গগৈ আৰু সাংগঠনিক সম্পাদক শেষাংশ ৭ পৃষ্ঠাত

# শিৱসাগৰত বন্ধ হ'ল একাধিক অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়

### ভাষা গৌৰৱ সপ্তাহ পালনৰ সময়তে উদ্বেগজনক খবৰ

**ই-সংবাদ, শিৱসাগৰ, ২১ নৱেম্বৰঃ** ৰাজ্যত ক্ৰমান্বয়ে পুতৌলগা অৱস্থালৈ গতি কৰিছে চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাই। অসম চৰকাৰৰ কেতবোৰ হঠকাৰী নীতি, চৰকাৰী শিক্ষকক শিক্ষাদানৰ পৰা আঁতৰাই আন এশ এবুৰি কামত নিয়োগ কৰা আদি অনেক কাৰণত বন্ধ হ'বলৈ ধৰিছে ইখনৰ পিছত সিখনকৈ অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়। শেহতীয়াকৈ চৰকাৰে ভাষা গৌৰৱ সপ্তাহ পালনৰ সময়তে শিৱসাগৰ জিলাত বন্ধ হ'ল কেইবাখনো অসমীয়া মাধ্যমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়। শেষাংশ ৭ পৃষ্ঠাত

# কোকিলাত প্ৰহাৰ কাণ্ড ঠিকা নোপোৱাত অধিবক্তাই গুণ্ডাগিৰি কৰাৰ অভিযোগ

**ই-সংবাদ, সৃজনগ্ৰাম, ২১ নৱেম্বৰঃ** বঙাইগাঁও লোকনিৰ্মাণ বিভাগৰ অন্তৰ্গত গোলাপাৰা পঞ্চায়ত বজাৰৰ পৰা ওচমানী বজাৰ সংযোগী পথ নিৰ্মাণৰ বাবে যোৱা ২০২৩-২৪ বৰ্ষত ৪ কোটি টকা ধাৰ্য কৰিছিল চৰকাৰে। কিন্তু শেষাংশ ৭ পৃষ্ঠাত

# অশান্ত মণিপুৰত অব্যাহত প্ৰতিবাদ

**ইম্ফল, ২১ নৱেম্বৰঃ** অশান্ত মণিপুৰত শেহতীয়াকৈ পুনৰ বৃদ্ধি পাইছে উত্তেজনা। শেহতীয়াকৈ জিৰিবামত উগ্ৰপন্থীয়ে শিশু আৰু মহিলাসহ ছয়জন পণবন্দীক নৃশংসভাৱে হত্যা কৰাৰ শেষাংশ ৩ পৃষ্ঠাত

# কলগাছিয়াৰ বৰটাৰীত দুৰ্ঘটনা, এজন নিহত

**ই-সংবাদ বিশেষ, কলগাছিয়া, ২১ নবেম্বৰঃ** কলগাছিয়াৰ বৰতাৰী-সন্তোষপুৰ গাঁৱৰ মাজ-মজিয়াৰ ২ নং বিকল্প ৰাজ্যিক ঘাইপথত বৃহস্পতিবাৰে কাহিলীপুৰাতে সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনা। শেষাংশ ৭ পৃষ্ঠাত

# সাধাৰণ প্ৰশাসন বিভাগৰ অধিসূচনা, জিলাৰ লগতে কৰিমগঞ্জ নগৰৰ নামো সলনি

**ই-সংবাদ, ২১ নৱেম্বৰঃ** জিলা আৰু ঠাইৰ নামৰ সৈতে ধৰ্ম বিশেষৰ ইতিহাস জড়িত থাকিলেই নাম সলনি কৰাৰ অভিযান চলাবলৈ সাজু হৈছে ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ। মৌলিক সমস্যা, স্মাৰ্ট মিটাৰ, মূল্যবৃদ্ধিৰ দৰে বিষয়সমূহক গৌণ কৰি ঠাইৰ নাম সলনিৰে সাম্প্ৰদায়িক বিভাজন কৰি ২০২৬ চনত পুনৰ দিছপুৰৰ মচনদ দখল কৰিবৈল সাজু হৈছে বিজেপি দল তথা হিমন্ত বিশ্ব শৰ্মা। ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে বিভাজনৰ ৰাজনীতিৰ প্ৰথম প্ৰয়োগশালা কৰা হৈছে বৰাক উপত্যকাক। বৰাক উপত্যকাৰ পৰাই হিন্দুত্ববাদৰ ৰাজনীতি আৰম্ভ কৰি বৰাকৰ জিলা কৰিমগঞ্জৰ নাম সলনি কৰিলে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। কেৱল যে জিলাৰ নাম সলনি কৰিছে তেনে নহয়। কৰিমগঞ্জ চহৰখনৰ নামো সলনি কৰা হৈছে। অসম চৰকাৰে কৰিমগঞ্জ জিলাৰ লগতে আজি কৰিমগঞ্জ টাউনৰ নাম সলনি কৰাৰ অধিসূচনা জাৰি কৰিছে। ১৯ নৱেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেটে কৰিমগঞ্জ জিলাৰ নাম সলনি কৰি শ্ৰীভূমি কৰাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্ত মৰ্মে আজি ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসনিক বিভাগে অধিসূচনা জাৰি কৰিছে। অধিসূচনাত অহা সপ্তাহবোৰত সকলো চৰকাৰী নথি পত্ৰ আৰু ছাইনেজত কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। জাৰি কৰা অধিসূচনাত কোৱা হৈছে কৰিমগঞ্জ জিলাখনক এতিয়াৰ পৰা শ্ৰীভূমি বুলি জনা যাব। সদৰ টাউনখনকো শ্ৰীভূমি টাউন বুলি কোৱা হ'ব। সাধাৰণ প্ৰশাসন বিভাগৰ প্ৰধান সচিব মুকেশ চাহুৱে কয় যে অঞ্চলটোৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক তাৎপৰ্য প্ৰতিফলিত কৰাৰ বাবে চৰকাৰে বিবেচনা কৰি এই সিদ্ধান্ত লৈছে। অঞ্চলটোৰ বাসিন্দা আৰু ব্যৱসায়ীসকলক নতুন নামৰ সৈতে সংৰক্ষিত হ'বলৈ তেওঁলোকৰ ঠিকনা আৰু অন্যান্য প্ৰাসংগিক তথ্য আপডেট কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই পৰিৱৰ্তনক সুচাৰুৰূপে সহায় কৰিবলৈ কৰ্তৃপক্ষই আশ্বাস দিছে। দীৰ্ঘ চাৰিমাহ বেছি সময় ঝাৰখাণ্ডত কটাই ১৯ নৱেম্বৰৰৰ পৰা অসমত তৎপৰ হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। কেবিনেট বৈঠক অনুষ্ঠিত কৰি ধৰ্মীয় মেৰু বিভাজনক গুৰুত্ব দি এক সিদ্ধান্ত লৈ বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাৰ নাম সলনি কৰাৰ ঘোষণা কৰে। কেবিনেট বৈঠকৰ অন্তত জনতাভৱনত খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি বৰাকৰ জিলা কৰিমগঞ্জৰ নাম সলনি কৰি 'শ্ৰীভূমি' কৰাৰ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীয়ে কিয় কৰিমগঞ্জৰ নাম সলনি কৰা হৈছে সেই কথাৰে বৰ্ণনা দি কয় যে ১০০ বছৰ পূৰ্বে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কৰিমগঞ্জ জিলাক 'শ্ৰীভূমি' বুলি বৰ্ণনা কৰিছিল। অৰ্থাৎ মা লক্ষ্মীৰ ভূমি। সেয়েহে এই সিদ্ধান্ত লোৱা হৈছে। কৰিমগঞ্জ জিলাৰ নামৰ দৰেই অসমৰ বহু গাঁও-চহৰৰ নাম সলনি কৰা হ'ব বুলিও উল্লেখ কৰিছে মুখ্যমন্ত্ৰীয়ে। নাম সলনিৰ পিছতে বৰাক উপত্যকাত দেখা গৈছে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ। একাংশ লোকে চৰকাৰৰ এনে সিদ্ধান্তত ফটকা ফুটাই আনন্দ প্ৰকাশ কৰাৰ বিপৰীতে আন একাংশই বিৰোধিতাও কৰা পৰিলক্ষিত হৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত বন্ধ হ'ল একাধিক অসমীয়া

শিৱসাগৰ বেতবাৰীৰ ৫৪৫ নং বোকাবিল প্ৰাথমিক বিদ্যালয়, চহৰৰ মেলাচকৰ প্ৰাথমিক বিদ্যালয় দুখনৰ উপৰিও বন্ধ হ'ল আন ৮ খন বিদ্যালয়। লক্ষণীয় যে অসম চৰকাৰে নিৰ্দেশনা দিয়াৰ পূৰ্বে দুখন বিদ্যালয় চিৰদিনলৈ বন্ধ হোৱা ঘটনাই উদ্বিগ্ন কৰি তুলিছে বৌদ্ধিক মহলক। বেতবাৰী মৌজাৰ ৫৪৫ নং বোকাবিল বৰপাত্ৰ নিম্ন প্ৰাথমিক বিদ্যালয় আৰু শিৱসাগৰ চহৰৰ মেলাচকৰ প্ৰাথমিক বিদ্যালয়খন চৰকাৰী জাননী অবিহনেই বন্ধ হ'ল ছাত্ৰ ছাত্ৰীৰ অভাৱত। চলিত শিক্ষাবৰ্ষত দুয়োখন বিদ্যালয়ত ১০ জনতকৈ কম ছাত্ৰ ছাত্ৰীয়ে অধ্যয়ন কৰি আছিল। এনে সময়তে অভিভাৱকসকলে সন্তানক আন বিদ্যালয়লৈ স্থানান্তৰ কৰে। ফলত চিৰদিনলৈ বন্ধ হৈ পৰে বিদ্যালয় দুখন। ১৯৭২ চনত স্থাপিত মেলাচকৰ প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত সহকাৰী শিক্ষকসকলে আন চৰকাৰী বিদ্যালত যোগদান কৰাৰ বিপৰীতে প্ৰধান শিক্ষকগৰাকী বিএলঅ' হিচাপে সেইখন বিদ্যালয়তে আছে। যিহেতু বিদ্যালয়খন ভোটকেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰে সেয়ে প্ৰধান শিক্ষকজনৰ কাম হ'ল এতিয়া কেৱল কেন্দ্ৰটোৰ ভোটাৰৰ তথ্য কৰ্তন, অন্তৰ্ভুক্তি তথা নিৰ্বাচন সংক্ৰান্তীয় কাম কৰা। আনহাতে ৫৪৫ নং বোকাবিলা বৰপাত্ৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী কেইগৰাকীয়ে চৰকাৰী জাননী অবিহনেই মিঠাপুখুৰীস্থিত বিদ্যালয়ত যোগদান কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ইয়াৰ দুমাহ আগেয়ে শিক্ষা বিভাগে আনুষ্ঠানিকভাৱে জাননী জাৰি কৰি ৮ খন বিদ্যালয় আন বিদ্যালয়ৰ সৈতে সংলগ্ন কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ অভাৱৰ বাবেই কোৱামৰা সত্ৰ এল পি স্কুল, ৫৮১ নং নগাঁও এল পি স্কুল, নগাঁও এল পি স্কুল, হাতীঘুলি বনুৱা প্ৰাথমিক বিদ্যালয়, ৩৫৭ নং চেতিয়া বালিকা প্ৰাথমিক বিদ্যালয়, ৯৮ নং বাম গোঁহাইগাওঁ প্ৰাথমিক বিদ্যালয়, ১৭৭ নং আখৈফুটীয়া প্ৰাথমিক বিদ্যালয় আৰু ন-পুখুৰী মধ্য ইংৰাজী বিদ্যালয়খন বন্ধ কৰি আন বিদ্যালয়ৰ সৈতে সংলগ্ন কৰে। ছাত্ৰ-ছাত্ৰীৰ অভাৱত ইখনৰ পিছত সিখনকৈ অসমীয়া মাধ্যমৰ বিদ্যালয় বন্ধ হোৱাৰ সমান্তৰালকৈ আন বহু সংখ্যক বিদ্যালয়ে মৃত্যুৰ ক্ষণ গণিছে। কিন্তু ইয়াৰ পিছতো অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ জীয়াই ৰাখিবলৈ চৰকাৰে সঠিক নীতি অৱলম্বন নকৰা বুলি ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# কলগাছিয়াৰ বৰটাৰীত দুৰ্ঘটনা, এজন

প্ৰত্যক্ষদৰ্শীসকলে জনোৱা মতে, বিপৰীত দিশৰ পৰা তীব্ৰবেগেৰে আহি থকা ব্ৰয়লাৰ ভৰ্তি এএছ০১পিচি ৫৩৩১ নম্বৰৰ বলে'ৰো বাহন আৰু পাচলি ভৰ্তি নম্বৰবিহীন ই-ৰিক্সাৰ মাজত মুখামুখি সংঘৰ্ষ লাগে। এই ভয়ংকৰ পথ দুৰ্ঘটনাত দুয়োখন বাহনৰ ৪ জন লোক গুৰুতৰভাৱে আহত হয়। লগে লগে স্থানীয় লোকসকলৰ সহযোগত আটাইকেইজনকে সংকটজনক অৱস্থাত বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। দুৰ্ভাগ্যজনকভাৱে চিকিৎসালয়লৈ নিয়াৰ সময়ত বলেৰোখনৰ চালকজনৰ মৃত্যু ঘটে। মৃত্যু হোৱা চালকজনক বঙাইগাঁও জিলাৰ কালিকুৰা গাওঁৰ আব্দুছ ছামাদ বুলি জানিব পৰা গৈছে যদিও আহত আন কেইজনৰ পৰিচয় জানিব পৰা হোৱা নাই। ঘটনাস্থলীত মেৰেৰচৰ থানাৰ আৰক্ষী উপস্থিত হৈ দুয়োখন বাহন জব্দ কৰাৰ লগতে অনুসন্ধান অব্যাহত ৰাখিছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# তিনিচুকীয়াত 'আটাছু'ৰ জোঁৰ সমদল

দীপাংকৰ গগৈৰ নেতৃত্বত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত তিনিকোণীয়া পুখুৰীৰ কাষৰ আইঅচি ৰে'ল গেটৰ সমীপৰ পৰা থানা চাৰিআলি লৈকে বাহিৰ কৰা জোঁৰ সমদলত আটাছুৰ শতাধিক কৰ্মীয়ে হাতে-হাতে জোঁৰ লৈ উত্তাল প্ৰতিবাদেৰে তিনিচুকীয়া চহৰৰ ৰাজপথ কঁপাই তোলে। অসম চৰকাৰ হায় হায়, জনজাতিকৰণ আমাৰ প্ৰাপ্য অধিকাৰ, 'আটাছু' জিন্দাবাদ আদি বিভিন্ন শ্ল'গানেৰে তিনিচুকীয়া চহৰখনত এক উত্তাল পৰিৱেশৰ সূচনা কৰে। থানা চাৰিআলি অভিমুখে আগবঢ়া প্ৰতিবাদীকাৰী সমদলক তিনিচুকীয়া আৰক্ষীয়ে পুৰণি ৰে'ল ষ্টেচনৰ ওচৰত বাধা প্ৰদান কৰি জুইৰ শিখাবোৰ নুমুৱাই দিয়াত পৰিস্থিতি একপ্ৰকাৰ উত্তপ্ত হৈ পৰে যদিও প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ বাধাকো নেওচি থানা চাৰিআলিত উপস্থিত হয়হি। প্ৰতিবাদস্থলীত 'আটাছু'ৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দীপাংকৰ গগৈয়ে কেন্দ্ৰীয় আৰু অসম চৰকাৰক চোকা সমালোচনাৰে থকা-সৰকা কৰি কয় যে আহোমকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্য্যাদা প্ৰদান কৰিম বুলি নিৰ্বাচনত বিজেপিয়ে প্ৰতিশ্ৰুতি দিছিল যদিওঁ কিন্তু বিধেয়কখন আজিপৰ্য্যন্ত ৰাজ্যসভা নাপালেগৈ। বিধেয়কখন গৃহীত নকৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এতিয়া আবোল-তাবোল কথা কৈ জনজাতিকৰণৰ বিষয়টো বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰিছে। বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰি নেতাগৰাকীয়ে লগতে কয় যে এইখন চৰকাৰৰ ওপৰত আমি এতিয়া আস্থা হেৰুৱাই পেলাইছো। জনজাতিকৰণৰ নামত এইখন চৰকাৰে কেৱল আভুৱা ভৰা ৰাজনীতি কৰি আহিছে। এতিয়া আমাৰ লক্ষ্য হ'ব ২০২৬ ৰ বিধানসভা নিৰ্বাচন। আটাছুৰ উপ-সভাপতি উৎপল গগৈয়ে টাই আহোম জনগোষ্ঠীৰ লগতে ছয় জনগোষ্ঠীক জনজাতিকৰণ নিদিয়ালৈকে সংগঠনটোৱে ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰো হুংকাৰ প্ৰদান কৰে। লগতে জনজাতিকৰণ দিম বুলি কৈ চৰম বিশ্বাসঘাটকতা কৰা বিজেপি চৰকাৰক এই বিশ্বাসঘাটকতাৰ পৰিণাম ২০২৬ত ভুগিবলৈ সাজু হৈ থাকিবলৈকো আহ্বান জনায় নেতাগৰাকীয়ে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ঠিকা নোপোৱাত অধিবক্তাই গুণ্ডাগিৰি

এই পথটোৰ নিৰ্মাণৰ কাম আদায় কৰিবলৈ উঠিপৰি লাগে এটা দালাল চক্ৰ। ঠিকাদাৰে দালাল চক্ৰটোক ৰাস্তাটোৰ কামৰ উপ-ঠিকা নিদি নিজে কাম আৰম্ভ কৰাত ঠিকাদাৰজনক বাধা প্ৰদান কৰে এজন অধিবক্তাৰ গুণ্ডাবাহিনীয়ে। অভিযোগ মতে, যোৱা বুধবাৰে অধিবক্তা গুলেনুৰ হুছেইন আৰু তেওঁৰ ককায়েক ৰফিজ উদ্দিনে ৰাস্তাত মাটি পেলোৱাৰ সময়ত ট্ৰেক্টৰৰ ড্ৰাইভাৰৰ লগত তৰ্কাতৰ্কিত লিপ্ত হয়। ইমানতে ক্ষান্ত নাথাকি অধিবক্তা আৰু তেওঁৰ গুণ্ডাবাহিনীয়ে ড্ৰাইভাৰজনক প্ৰহাৰ কৰে। ঘটনাস্থলীত কোকিলা আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইতিমধ্যে ট্ৰেক্টৰৰ ড্ৰাইভাৰজনে কোকিলা আৰক্ষী নিৰীক্ষণ চকীত অধিবক্তাৰ লগতে তেওঁৰ গুণ্ডাবাহিনীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। ঘটনাটোক লৈ সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে স্থানীয় ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত আকৌ ডকাইতি

পাবলৈ ধৰিছে। ফলত নাগৰিকে মানুহৰ জীৱন-সম্পত্তিৰ সুৰক্ষাক লৈ প্ৰশ্ন উত্থাপন কৰি অহাৰ সময়তে আজি মহানগৰীৰ বিৰুবাৰীৰ এ.কে আজাদ ৰোডৰ বি বৰা কেন্সাৰ ইনষ্টিটিউটৰ সন্মুখত আজি দুপৰীয়া সন্মুখত দিন ডকাইতি সংঘটিত হোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। ৰখাই থোৱা এএছ-০১-এফকিউ-৭২১০ নম্বৰৰ ৰখাই থোৱা ফৰ্চুনাৰখনৰ গ্লাচ ভাঙি দুৰ্বৃত্তই লুটি নিলে ১ লাখ ২৫ হাজাৰ টকা। অৰ্পিতা কাশ্যপ নামৰ এগৰাক মহিলাই আত্মীয়ৰ খবৰ ল'বলৈ বি. বৰা কেন্সাৰ প্ৰতিষ্ঠানলৈ আহিছিল। ফৰ্চুনাৰখন বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানৰ সন্মুখভাগত ৰখাই থৈ গৈছিল। তেনে সময়তে ফৰ্চুনাৰখনৰ গ্লাচ ভাঙি ভিতৰত থকা কাপোৰৰ বেগটো লৈ যায়। বেগটোত কাপোৰ, ৰোগীৰ ঔষধৰ লগতে আছিল ১ লাখ ২৫ হাজাৰ টকা। ভৰলু আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। নিতৌ এতিয়া এনেদৰে লুট, চিলনী চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাত গুৱাহাটীৰ মানুহৰ জীৱন-সম্পত্তিৰ সুৰক্ষাক লৈ লৈ প্ৰশ্ন উত্থাপন হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদানিৰ কেলেংকাৰীৰ অসম সংযোগ

বিনিয়োগকাৰীৰ পৰা বগুযোগে ধন সংগ্ৰহ কৰি ভাৰতৰ বিষয়াক উৎকোচ দিয়াৰ অভিযোগত অভিযুক্ত কৰিছে গৌতম আদানিৰ কোম্পানী আৰু কানাডাৰ কোম্পানী আজুৰ পাৱাৰৰ ৭ বিষয়াক। সৌৰ শক্তি প্ৰকল্পৰ সৈতে সম্পৰ্কিত উৎকোচ কাণ্ডত অভিযুক্ত কৰাই নহয় গৌতম আদানিৰ আদানি গ্ৰীণ আৰু আজুৰ পাৱাৰৰ ৭ বিষয়াৰ বিৰুদ্ধে গ্ৰেপ্তাৰি পৰোৱানা জাৰি কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কৰ্তৃপক্ষই কয় যে আদানি আৰু আজুৰ পাৱাৰৰ বিষয়াসকলে আমেৰিকাৰ বিনিয়োগকাৰীৰ পৰা বিভিন্ন ভুৱা নথি দেখুৱাই আৰু প্ৰলোভন দি ২৬৫ নিযুত ডলাৰ (প্ৰায় ২১০০ কোটি) সংগ্ৰহ কৰিছিল আৰু সেই টকা ভাৰতীয় বিষয়াসকলক উৎকোচ দিছিল। টকা উৎকোচ এই কাৰণেই দিছিল যাতে আদানি গ্ৰীণ আৰু কানাডাৰ কোম্পানী আজুৰে উৎপাদন কৰা শক্তি ৰাজ্যৰ চৰকাৰসমূহে বেছি দামত ক্ৰয় কৰি অধিক মুনাফা দিয়ে। আমেৰিকাই অনা অভিযোগ যদি সত্য হয় তেন্তে অসমৰ বিষয়াকো আদানি গ্ৰীণ আৰু আজুৰ পাৱাৰে টকা দিছিল নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে। কিয়নো অসমত আজুৰে ওদালগুৰি, বকো, নগাঁও আৰু কাছাৰ জিলাত স্থাপন কৰিছে প্ৰকল্প। ইয়াৰে বকো প্ৰকল্প মুকলি কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। নগাঁও জিলাৰ মিকিৰ বামুণী গ্ৰাণ্ট প্ৰকল্পৰ ভূমি সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত দিয়া হৈছিল। সেই মাটি আছিল জনজাতীয় খতিয়ানপ্ৰাপ্ত কৃষকসকলৰ। মাটি আৱণ্টনৰ লগতে সকলো দিশত অসম চৰকাৰ, অসমৰ বিষয়াসকলে আজুৰক সহায় কৰি গৈছিল। মিকিৰ বামুণী গ্ৰাণ্টত জনজাতীয় লোকৰ দখলত থকা ভূমি দখল কৰি আজুৰক দিয়া হৈছিল। কিন্তু এই আজুৰে আমেৰিকাৰ বিনিয়োগকাৰীৰ পৰা টকা আনি ভাৰতৰ বিষয়াক দিছিল। যাতে অনায়াসে আজুৰৰ সৌৰ শক্তি প্ৰকল্পসমূহ ৰূপায়ন কৰি অধিক মুনাফা ঘটিব পৰা যায়। আমেৰিকাৰ বিনিয়োগকাৰীৰ পৰা অনা টকাৰ ভাগ অসমৰ প্ৰভাৱশালী ৰাজনৈতিক দলৰ নেতাৰ লগতে চৰকাৰী বিষয়ায়ো যে পাইছিল সেয়া দিনৰ পোহৰৰ দৰে স্পষ্ট বুলি ক'ব খোজে একাংশ লোকে। কিয়নো আজুৰক ভূমি আৱণ্টন, প্ৰকল্পক বিৰোধ কৰা স্থানীয় লোকক দমনলৈকে সকলো দিশত সহায় কৰিছিল চৰকাৰৰ বৰঘৰৰ একাংশ লোকে। ইমানে নহয়, অসম ৰাজ্যিক বিদ্যুৎ বিভাগে আজুৰৰ সৈতে কৰিছিল দীৰ্ঘম্যাদী চুক্তি। এই চুক্তি আছিল ২৫ বছৰৰ। চুক্তি মৰ্মে আজুৰৰ পৰা ২৫ বছৰলৈ বিদ্যুৎ ক্ৰয় কৰিব অসম চৰকাৰে। ২৫ বছৰৰ চুক্তি কৰাটোৱে প্ৰমাণ যে কোনোবাই নহয় কোনোবাই আমেৰিকাৰ বিনিয়োগকাৰীৰ পৰা অনা টকাৰ ভাগ পাইছিল। ঘটনা ইমানতে শেষ হোৱা নাই। আমেৰিকাত আজুৰৰ বৃহৎ দুৰ্নীতি ফাদিল হোৱাৰ সময়ত অসমতো এই আজুৰে উৎপাদিত শক্তি বিক্ৰীৰ নামতো লুণ্ঠন চলোৱাৰ অভিযোগ উঠি আহিছে। অসমত বিদ্যুৎ উৎপাদন কৰি অসমতে অত্যাধিক দৰত বিদ্যুৎ বিক্ৰী কৰিছে আজুৰে। অভিযোগ মতে, অধিক দামত বিদ্যুৎ ক্ৰয় কৰিবলৈ চৰকাৰৰ বিষয়াক আজুৰে দিছিল উৎকোচ। চৰকাৰে যদি আজুৰৰ পৰা এক মেগাৱাট বিদ্যুৎ ক্ৰয় কৰে তেন্তে আজুৰে বিষয়াক দিছিল ২৫ লাখকৈ উৎকোচ। আদানি গ্ৰীণ আৰু কানাডাৰ কোম্পানী আজুৰ পাৱাৰৰ দ্বাৰা উৎপাদিত শক্তি যাতে ৰাজ্য চৰকাৰে ক্ৰয় কৰে তাৰ বাবে টকা দি বিষয়াক মেনেজ কৰিছিল। তাৰ উদ্দেশ্যে এয়াই আছিল যে বজাৰ দৰতকৈ ৰাজ্য চৰকাৰসমূহক বেছি দামত বিদ্যুৎ বিক্ৰী কৰা। বিষয়াই আদানী গ্ৰীণ আৰু আজুৰ পাৱাৰক লাভ দিয়ক আৰু কমিছন লওক। আমেৰিকান ছিকিউৰিটি এণ্ড এক্সচেঞ্জ কমিছনে প্ৰকাশ কৰা মতে, ২০২১ চনৰ পৰা ২০২৩ চনলৈ বিভিন্ন ৰাজ্যত এনে পদ্ধতিৰে বিষয়াক মেনেজ কৰি ৰাজ্য চৰকাৰৰ সৈতে উৎপাদিত বিদ্যুৎ ক্ৰয়ৰ চুক্তি স্বাক্ষৰ কৰিছিল। অভিযোগত কোৱা হৈছে ৭ হাজাৰ মেগাৱাট ক্ৰয় কৰা অন্ধ্ৰপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জগনমোহন ৰেড্ডীক দিছিল ১,৭৫০ কোটি টকাৰ উৎকোচ। সেই আজুৰ আৰু আদানী গ্ৰীণৰ পৰা অসম চৰকাৰে ৯০ মেগাৱাটকৈ বিদ্যুৎ ক্ৰয় কৰাৰ স্বাক্ষৰ কৰিছিল। আমেৰিকাৰ ফাদিল হোৱা তথ্য মতে, ভাৰতৰ যিসমূহ ৰাজ্যই বিদ্যুৎ ক্ৰয় কৰিছে তাৰ মুখ্যমন্ত্ৰীসকলক প্ৰভাৱিত কৰা হৈছিল। আমেৰিকাৰ আদালতে যিহেতু মুখ্যমন্ত্ৰীসকলক, বিষয়াসকলক প্ৰভাৱিত কৰাৰ কথা উল্লেখ কৰিছে সেয়েহে অসমত আজুৰে স্থাপন কৰা প্ৰকল্পক লৈ ৰহস্যৰ সৃষ্টি হৈছে। অসম চৰকাৰে আজুৰৰ সৈতে চুক্তি কৰিছিল। ২০২২ চনৰ ২০ জুলাইত বকোত আজুৰৰ ৯০ মেগাৱাটৰ সৌৰ শক্তি প্ৰকল্প মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিছিল। প্ৰকল্পটোত উৎপাদিত শক্তি ২৫ বছৰীয়া পিপিএ-ৰ অধীনত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডক যোগান ধৰাৰ চুক্তি কৰা হৈছিল। ২০ জুলাইৰ কাৰ্যসূচীত আজুৰ পাৱাৰৰ মুখ্য কাৰ্যবাহী বিষয়া হৰ্ষ শ্বাহ উপস্থিত আছিল। মুখ্যমন্ত্ৰী, এপিডিচিএল আৰু সকলো স্থানীয় অংশীদাৰক সহযোগিতা আৰু সমৰ্থনৰ বাবে আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছিল আজুৰৰ বিষয়া হৰ্ষ শ্বাহে। আজুৰৰ নগাঁৱৰ প্ৰকল্পৰ বাবে সৰ্বানন্দ সোণোৱাল চৰকাৰে মাটি দিছিল নগাঁও জিলাৰ মিকিৰ বামুণী গ্ৰাণ্টত। যি মাটিত খেতি কৰি আছিল ৰায়তী জনজাতীয় লোকে। ৰায়তী খতিয়ানপ্ৰাপ্ত কৃষকসকল জনজাতীয়-থলুৱা লোকসকলে পূৰ্বপুৰুষৰ পৰা লাভ কৰা ভূমিৰ কেৱল পট্টা নাছিল। স্থানীয় ৰাইজ, জাতীয় সংগঠন তথা মানৱ অধিকাৰ সংগঠনে বিৰোধ কৰি থকাৰ পিছতো গ্ৰাণ্টৰ ভূমি কোম্পানীক দিয়া হ'ল। দীৰ্ঘ প্ৰতিবাদ সাব্যস্ত কৰা হ'ল। মিকিৰ বামুণী গ্ৰাণ্টত বহিৰাগত কোম্পানী 'আজুৰে' চহা কৃষকৰ খেতিপথাৰত ফেন্সিং দি যি বৰ্বৰ অত্যাচাৰ কৰিছিল সেয়া বৰ্ণনাতীত। মিকিৰ বামুণী গ্ৰাণ্টৰ প্ৰতিবাদ কৰিব যোৱা মহিলাক পেটত গোৰ দিয়াত গৰ্ভপাত হোৱাৰ লগতে জনজাতীয় মহিলাই মৃত্যুক আকোৱালি লৈছিল। নিৰাপত্তাৰক্ষীয়ে গৰ্ভৱতী মহিলাৰ পেটত গোৰ মাৰি সন্তানসহ মৃত্যু হোৱাৰ অভিযোগ উঠিছিল। কিন্তু অসমৰ জাতীয় দল-সংগঠন নিমাতে আছিল। মিকিৰ বামুণী গ্ৰাণ্টৰ থলুৱা কৃষকৰ জোৰ-জুলুম কৰা হৈছিল। প্ৰতিবাদ কৰিবলৈ অহা থলুৱা কৃষকক আৰক্ষী-অৰ্ধসামৰিক বাহিনী লগাই নিৰ্যাতন চলোৱা হৈছিল। তথাপিও পূৰ্বপুৰুষৰ পৰা লাভ কৰা সেই ভূমি আজুৰক গতাই দিছিল চৰকাৰে। কোম্পানীক পাৱাৰ প্ৰকল্প স্থাপনৰ বাবে মাটি দিয়াৰ সময়ত থলুৱা লোকসকলৰ পৰা কোনো ধৰণৰ আলোচনাত মিলিত নহ'ল। আজুৰৰ প্ৰকল্পস্থলীত ৯টাকৈ হাতীৰো মৃত্যু হৈছিল। উল্লেখ্য যে, আমেৰিকান কৰ্তৃপক্ষই গোচৰত আদানিৰ লগতে আজুৰৰ বিষয়াসকলৰ নামো অভিযুক্ত হিচাপে উল্লেখ কৰিছে।

# আফ্ৰিকান ছোৱাইন ফিভাৰ! শিৱসাগৰ জিলাত গাহৰি মাংস বিক্ৰী, সৰবৰাহত নিষেধাজ্ঞা

**ই-সংবাদ, শিৱসাগৰ, ২১ নৱেম্বৰঃ** শিৱসাগৰৰ অৰ্থনীতিত যথেষ্ট গুৰুত্ব আছে গাহৰি মাংসৰ ব্যৱসায়। দৈনিক এক-দুই কোটি টকাৰ গাহৰি মাংসৰ ব্যৱসায় চলা শিৱসাগৰ জিলাৰ গাহৰি পালক আৰু গাহৰি মাংস প্ৰিয়সকলৰ বাবে দুখবৰ। জিলাখনত পুনৰ আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱে দেখা দিয়াত আজিৰে পৰা গাহৰি মাংস কটা, সৰবৰাহ তথা পৰিবহণ আৰু বিক্ৰী কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰি প্ৰশাসনে। শিৱসাগৰ জিলা পশুপালন বিভাগৰ সৈতে আলোচনামৰ্মে অনিৰ্দিষ্ট কালৰ বাবে এই নিষেধাজ্ঞা জাৰি কৰিছে দণ্ডাধীশে। জিলাখনৰ ডিমৌ ৰাজহ চক্ৰৰ অন্তৰ্গত ডিমৌ উন্নয়ন খণ্ডৰ অধীনত থকা ইকৰাণি গ্ৰাণ্ট আৰু বৰ দেওধাই জাপিসজীয়া অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰৰ ফলত বহু সংখ্যক গাহৰি মৃত্যু হোৱাত এই ৰোগ প্ৰতিৰোধৰ স্বাৰ্থত নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে এই ৰোগৰ ফলত শ শ গাহৰি পালক বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে। বিশেষকৈ চৰকাৰী ঋণ লৈ গাহৰিৰ ব্যৱসায় কৰা পালকসকল পুনৰ সংকটত পৰিছে। ইপিনে ছুৱাইন ফিভাৰ ধৰা পৰা এলেকাত কাইলৈৰ পৰা যিমান গাহৰি আছে মাৰি পেলোৱাৰ ব্যৱস্থা কৰিছে পশুপালন বিভাগে। এইক্ষেত্ৰত নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে আৱেদন কৰিলে তেনে গাহৰিৰ ক্ষতিপূৰণ দিয়া হ'ব বুলি জনাইছে জিলা পশু পালন বিষয়াই।

# ৰাইডঙীয়াৰ ৰাস মহোৎসৱত দৰ্শনাৰ্থীৰ ভিৰ



**ই-সংবাদ, গুৱাহাটী, ২১ নৱেম্বৰঃ** নগাঁও জিলাৰ ঐতিহাসিক ৰাইডঙীয়াত অনুষ্ঠিত ৰাস মহোৎসৱত দৰ্শনাৰ্থীৰ ভিৰ কৰা পৰিলক্ষিত হয়। প্ৰতিবছৰৰ দৰে এইবেলিও শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ সমিতিৰ উদ্যোগত ১৯ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৰাস মহোৎসৱৰ আজি অন্তিম দিন। অন্তিম দিনটোত ৰাসস্থলী উদ্বোধন কৰে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ উপ-সভাপতি বিষ্ণু হাজৰিকাই। বিষ্ণু হাজৰিকাই ৰাসস্থলী মুকলি কৰি কয় যে এই বতৰত অসমৰ বহু ঠাইত ৰাস হয়। ৰাসসমূহে মহা মিলনৰ সেঁতু গঢ়ে। গোটেই বছৰতো কষ্ট কৰি শৰৎকালৰ এই সময়ছোৱাত আমি আনন্দ কৰো। বাৰিষা গুচি যোৱাৰ পিছতে জাৰ নামি অহাত ৰাস্তা-ঘাটৰ পৰা বোকা-পানী নোহোৱা হয়। পথাৰত ধান কটাৰ সময় যদিও আমি নতুন এটা বছৰত যুঁজিবলৈ সাহস গোটাও এই ৰাস উৎসৱত। শান্তি, প্ৰগতিৰ বাট দেখুৱাই এই ৰাসে। অন্তিম দিনটোৰ কাৰ্যসূচীৰ আঁতধৰে প্ৰমোদ কুমাৰ দাসে। ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱত সন্ধিয়াৰ পৰাই ভক্তৰ লানি নিছিগা সোঁত বোৱা পৰিলক্ষিত হয়। তিনিওটা দিনত মাধৱ মন্দিৰ প্ৰাংগনত ফৰিং ফুটা ৰূপালী জোনাকত কৃষ্ণই গোপীসকলৰ সৈতে কৰা ৰাস ক্ৰীড়াৰ দৰেই অপূৰ্ব সমাহাৰ দেখা যায়। ৰাইডঙীয়া পাঁচআলিৰ শ্ৰীশ্ৰী মাধৱদেৱ মন্দিৰ প্ৰাংগনত অনুষ্ঠিত ৰাস মহোৎসৱত নিতৌ ভক্তই শ্ৰী কৃষ্ণৰ ৰাস লীলা উপভোগ কৰে। স্থানীয় মহিলা, জীয়ৰী, বোৱাৰীৰ ৰাস লীলা বৃন্দাবনত পৰিণত কৰে ৰাইডঙীয়াৰ মাধৱ মন্দিৰ প্ৰাংগনক। ভক্তপ্ৰাণ ৰাইজ উপস্থিতি থাক সহায়-সহযোগ কৰাত ধন্যবাদ জ্ঞাপন কৰিছে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ সমিতিয়ে।

# আৰ্হি প্ৰদৰ্শনত অসম একাডেমী শ্ৰেষ্ঠ

**ই-সংবাদ, নলবাৰী, ২১ নৱেম্বৰঃ** ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি নলবাৰী মহাবিদ্যালয়ত জিলা ভিত্তিত অনুষ্ঠিত বিজ্ঞানৰ আৰ্হি প্ৰদৰ্শনত অসম একাডেমী নলবাৰীয়ে প্ৰথম স্থান অধিকাৰ কৰি নগদ ধন আৰু প্ৰমাণ পত্ৰ লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়খনৰ বিজ্ঞান শিক্ষক চন্দন ৰাজবংশীৰ তত্বাবধানত ধ্ৰুৱাৰ্থ ভট্টাচাৰ্য, তন্ময় কলিতা, স্বপ্নদীপ কলিতাই 'স্মাৰ্ট গ্লাছ ফ'ৰ ব্লাইন্ড পিপুল' আৰ্হি প্ৰদৰ্শন কৰে।

# নলবাৰীৰ ৰাসত অখণ্ড ভাৰত-গৌৰৱ গাথাৰ প্ৰদৰ্শনী

**ই-সংবাদ, নলবাৰী, ২১ নৱেম্বৰঃ** নলবাৰীৰ শ্ৰীশ্ৰী হৰি মন্দিৰত এইবেলি ৯১ সংখ্যক ৰাস মহোৎসৱত প্ৰজ্ঞাৰ দ্বাৰা নিবেদিত অখণ্ড ভাৰত পৰিক্ৰমা আৰু ভাৰতবৰ্ষৰ ঐতিহ্য আৰু গৌৰৱ গাথাৰ ৫১২৬ প্ৰদৰ্শনী আজি সন্ধিয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই পৰিদৰ্শন কৰে। উক্ত প্ৰদৰ্শনী পৰিদৰ্শন কৰি বশিষ্ঠ বুজৰবৰুৱাই প্ৰজ্ঞা, নলবাৰী জিলা সমিতিৰ বিষয়ববীয়া সৈতে এক বৈঠকত মিলিত হয়। ইয়াৰ পিছতে আৰ এছ এছৰ নেতাগৰাকীয়ে নলবাৰী ৰাসস্থলীত 'প্ৰজ্ঞা'ৰ দ্বাৰা নিবেদন জীৱন্ত ৰাস "ৰাস মধুৰম" উপভোগ কৰে। বশিষ্ঠ বুজৰবৰুৱাই সাংবাদিকৰ আগত কয় যে এই প্ৰদৰ্শনীৰ দ্বাৰা ভাৰতীয় সভ্যতা-সংস্কৃতিৰ জ্ঞান নতুন প্ৰজন্মই আহৰণ কৰিব পাৰিব। তদুপৰি নলবাৰী ৰাসত জ্ঞান আৰু প্ৰজ্ঞাস্থলীত পৰিণিত হ'ব বুলি তেওঁ মন্তব্য কৰে। লগতে তেওঁ কয় যে ৫২৪৪ বছৰ পুৰণি এই ৰাস উৎসৱ পালন কৰিব পৰাটো আমাৰ গৌৰৱৰ কথা। নলবাৰী ৰাসত 'প্ৰজ্ঞা'ৰ দ্বাৰা নিবেদন কৰা জীৱন্ত ৰাসে ভৱিষ্যতে যাতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বিশ্ব দৰবাৰত স্থান লাভ কৰে তেওঁ তাৰকামনা কৰে। বশিষ্ঠ বুজৰবৰুৱাৰ আজিৰ এই পৰিদৰ্শন কালত সংগ দিয়ে প্ৰজ্ঞা, নলবাৰী জিলা সমিতিৰ প্ৰভাৰী অনুপ বৰ্মন, সভাপতি ড০ মুনিন দাস, সম্পাদক পংকজ ডেকা, প্ৰজ্ঞা, মহানগৰ সমিতিৰ সভাপতি মন্মথ বৰুৱা, ৰাষ্ট্ৰীয় স্বয়ংসেবক সংঘৰ নলবাৰী বিভাগৰ বিভাগ প্ৰচাৰক কেশৱ ভুঞা আদিয়ে। উল্লেখ্য যে য়োৱা ১৬ নৱেম্বৰৰ পৰা নলবাৰী ৰাস মহোৎসৱ, জ্ঞান আৰু প্ৰজ্ঞাস্থলীত পৰিণত হৈছে। এইবেলি তৃতীয় বাৰৰ বাবে ৯১ সংখ্যক নলবাৰী ৰাস মহোৎসৱ নলবাৰী প্ৰজ্ঞাই ব্যতিক্ৰমী পদক্ষেপ কৰা পৰিলক্ষিত হৈছে। উজলি উঠিল অখণ্ড ভাৰত পৰিক্ৰমা আৰু ভাৰতীয় উজ্জ্বল জ্ঞান পৰম্পৰাৰ প্ৰদৰ্শনী। অখণ্ড ভাৰত পৰিক্ৰমা আৰু ভাৰতীয় উজ্জ্বল জ্ঞান পৰম্পৰাৰ প্ৰদৰ্শনীত পূৰ্বৰ দৰে আজিও ভক্তপ্ৰাণ ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয়। উক্ত প্ৰদৰ্শনীৰ জৰিয়তে ভাৰতবৰ্ষৰ প্ৰাচীনতম মঠ-মন্দিৰকে ধৰি বিভিন্ন সামগ্ৰী উপস্থাপন কৰিছে। আনহাতে, ৰাম সেতু, বেদৰ জ্ঞানকে ধৰি প্ৰাচীন কালত ব্যৱহৃত সামগ্ৰী দেখুওৱা হৈছে এই প্ৰদৰ্শনীত। ইফালে, অখণ্ড ভাৰতৰ এই প্ৰদৰ্শনী থকা স্থলসমূহৰ জৰিয়তে বিভিন্ন জ্ঞান আহৰণ কৰা বুলি একাংশক লোকে জানিবলৈ দিয়ে। বিশেষকৈ নলবাৰীৰ ৰাস মহোৎসৱৰ এই বিশেষ প্ৰদৰ্শনীয়ে দৃষ্টি কাঢ়িছে সকলোৰে।



ভাৰতবৰ্ষৰ ঐতিহ্য-গৌৰৱ গাথাৰ প্ৰদৰ্শনী পৰিদৰ্শন বশিষ্ঠ বুজৰবৰুৱাৰ, নলবাৰীৰ ৰাসত বৃহস্পতিবাৰে

# ছিপাঝাৰৰ বৰচলা হৰি মন্দিৰৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ছিপাঝাৰ, ২১ নৱেম্বৰঃ** দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ অন্তৰ্গত বৰচলা শ্ৰীশ্ৰী হৰি মন্দিৰৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি অহা ২৬ আৰু ২৭ নৱেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত হ'ব। উদযাপন সমিতিৰ সভাপতি বকুল ডেকা আৰু সম্পাদক তিলক ডেকাই সদৰি কৰা মতে, প্ৰথম দিনা পুৱা প্ৰভাত ফেৰী, সমূহীয়া চাফাই, বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন, মন্দিৰৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, শৰাই অৰ্পণ, ভাগৱত পাঠ আৰু আদৰণি অনুষ্ঠানৰ পাছত বিয়লি আয়তীৰ নাম পৰিৱেশন কৰা হ'ব। একেদৰে সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱা সমূহীয়া চাফাই, শৰাই অৰ্পণ আৰু  ভাগৱত পাঠৰ পিছত উলিওৱা হ'ব ভাগৱত শোভাযাত্ৰা। দুপৰীয়া মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণৰাম ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব এখনি মুকলি ধৰ্মালোচনা সভা। ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী শিৱ প্ৰসাদ শৰ্মাই উদ্বোধন কৰিব লগীয়া সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব লোক সংস্কৃতিৰ সাধক তৰুণ আজাদ ডেকা। মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস আৰু ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী আৰু ছিপাঝাৰৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকিব লগীয়া সভাখনত মাজবাট বিদ্যাপীঠ হাইস্কুলৰ প্ৰধান শিক্ষক নৰেন্দ্ৰ নাথ ডেকা আৰু বকোৰ জৱাহৰলাল নেহেৰু মহাবিদ্যালয়ৰ অৱসৰী ভাৱপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। সভাখনত শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখাৰ প্ৰাক্তন সভাপতি তাৰিণী চহৰীয়া, অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় ক্ৰমে ঘনকান্ত মেধি আৰু ৰমাকান্ত গোস্বামী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা উৎপল হালৈ আৰু বিনয় ৰাজ কুমাৰৰ নাগাৰা নামৰ দলৰ দ্বাৰা পালনাম প্ৰদৰ্শনেৰে দুদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰিব।

# বালাজানত ড্ৰাগছসহ সৰবৰাহকাৰীক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২১ নৱেম্বৰঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত দুমৰদহত আজি আৰক্ষী আৰু বিএছএফে যৌথ অভিযান চলাই ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত বালাজান আৰক্ষী আৰু চিআৰপিএফৰ ৪৮ বেটেলিয়নৰ বিশেষ দলে দুমৰদহত অভিযান চলায়। অভিযানত ড্ৰাগছ বিক্ৰী কৰিবলৈ অহা সৰবৰাহকাৰীক ড্ৰাগছসহ আটক কৰে। আটকাধীন লোকজন গৌৰীপুৰ থানাৰ মলতি খামাৰৰ ছামিনুৰ ইছলাম। ঘটনাস্থলীৰ পৰা ছয়টা সন্দেহজনক ব্ৰাউন ছুগাৰ ভৰ্তি কন্টেনাৰৰ লগতে আৰক্ষীয়ে নগদ প্ৰায় তিনি হাজাৰ টকা উদ্ধাৰ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে লোকজনক সোধা-পোছা অব্যাহত ৰাখিছে।

# মৰিয়নিত উন্মুক্ত পুখুৰীৰ পৰা ৬টাকৈ বন্যহস্তীক উদ্ধাৰ



**ই-সংবাদ, মৰিয়নি, ২১ নৱেম্বৰঃ** খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীৰ প্ৰায় ৪০-৫০ জনীয়া জাক এটাই নিশা মৰিয়নীৰ খাটিচোনা দিহিঙীয়া গাঁৱত প্ৰৱেশ কৰাৰ সময়তে সংঘটিত হয় এক অঘটন। সমীপতে থকা এডৰা বাহনিৰ মাজত থকা জেচিবিৰ দ্বাৰা ইটা তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা মাটিৰ বাবে খন্দা এটা উন্মুক্ত পুখুৰীত পৰে ৬টা হাতী। ইয়াৰে ২টা হাতী উঠিবলৈ সক্ষম হয় যদিও ৪টা পোৱালি হাতী পানীৰ মাজতে আৱদ্ধ হৈ ৰয়। পলমকৈ হ'লেও বনকৰ্মী ঘটনাস্থলীত উপস্থিত হয় যদিও অসহায় অৱস্থাৰে নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰে। বুধবাৰে সমগ্ৰ নিশা পানীত আবদ্ধ হৈ থকাৰ পাছত আজি পুৱা প্ৰায় ৯ মান বজাত পুখুৰীৰ পাৰ কাটি হাতীকেইটাক উদ্ধাৰ কৰা হয়।



মাজুলী আৰু যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মাণ দলংখনৰ কাম-কাজক লৈ মুখ্যমন্ত্ৰীৰ বৈঠক

## আৰক্ষীৰ ভূমিকাক লৈ সচেতন মহলৰ মনত প্ৰশ্নৰ উদয়

# বৰপথাৰত বৃদ্ধি চোৰৰ উপদ্ৰৱ, গো-ধন বিক্ৰী গৃহস্থৰ

**ই-সংবাদ, সৰুপথাৰ, ২১ নৱেম্বৰঃ** সৰুপথাৰ সমজিলাৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন ঠাইত শেহতীয়াকৈ প্ৰায় প্ৰতি নিশাই গৰু চুৰিৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। যোৱা কিছুদিনৰ পৰা বৰপথাৰৰ বিভিন্ন প্ৰান্তত গৰু চোৰৰ উপদ্ৰৱ ইমানেই বৃদ্ধি পাইছেগৈ যে এটা নিশাত এখন গাঁৱৰ পৰা ১০ ৰ পৰা ১২ টাকৈ গৰু চুৰি হ'বলৈ ধৰিছে। নিতৌ এনেদৰে নিশা গৃহস্থৰ গোহালিৰ পৰাই গৰু চুৰি হোৱা ঘটনাই এতিয়া টোপনি হৰিছে একাংশ গো-পালকৰ। আজি কিছুদিনৰ পৰা অঞ্চলটোৰ বৰপথাৰ নগৰ, দীঘলী পথাৰ মাটিখোলা, ১নং দুবৰণি, ২ নং দুৱৰণি, আলিচিঙা টেঙানি, ২ নং টেঙানি, কঠবিল, বচাপথাৰ, লাংঠা, গেলাবিল, বিলগাঁও, দুৱৰণি শ্যাম গাঁও আদি অঞ্চলৰ পৰা প্ৰত্যেক নিশাই গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আছে। যোৱা সোমবাৰে দীঘলী পথাৰ মাটিখোলাৰ প্ৰফুল্ল কোঁৱৰৰ ঘৰৰ গোহালিত বান্ধি থোৱা দুজনী মাইকী গৰু নিশা চোৰে লৈ যায়। মাত্ৰ এটা সপ্তাহৰ ভিতৰতেই দীঘলী পথাৰ গাঁৱৰ ডাণ্টে ফুকনৰ গোহালিৰ পৰা এটা দমৰা গৰু, ১ নং টেঙানিৰ বগাই গোৱালাৰ এটা মতা গৰু, দুৱৰণিৰ মাজু কুমাৰ আৰু পচা কুমাৰৰ দুটাকৈ গৰু, আলিচিঙাৰ পৰা এজনী মাইকী গৰু চুৰি হৈছে। এয়া মাত্ৰ যোৱা এটা সপ্তাহৰ ঘটনাহে। ইয়াৰ আগতে দুৱৰণি, নতুন টেঙানি, কচুবিল, বিলগাঁও আদি বহু কেইখন গাঁৱৰ পৰা কেইবাটাও গৰু চুৰি হৈছে। আচৰিত কথা যে কেইদিনমানৰ আগলৈকে বৰপথাৰ নগৰত ৰাস্তাই-পদূলিয়ে অসংখ্য গৰু ঘূৰি-ফুৰা দেখা গৈছিল। কিন্তু বৰ্তমান নগৰখনত গৰু দেখিবলৈ নোপোৱাৰ দৰে হৈছে। উল্লেখ্য যে গৰু চোৰৰ বৃহৎ গেংটোৱে গৰু চুৰিৰ বাবে গাড়ী ব্যৱহাৰ কৰাৰ অভিযোগ উঠিছে। কাৰ আশীৰ্বাদত গৰু চোৰৰ উক্ত চক্ৰটোৱে গোহালিৰ পৰাই গৰু চুৰি কৰি আছে তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। বৰ্তমান পৰিস্থিতি এনেকুৱা পাইছেগৈ যে গৰু চোৰৰ উপদ্ৰৱত ৰাইজে গোহালিত গৰু ৰাখিব নোৱাৰি বজাৰত বিক্ৰী কৰিবলৈ বাধ্য হৈ পৰিছে। আনহাতে, কিছুদিনৰ পৰা বৰপথাৰ অঞ্চলত অপৰাধজনিত বিভিন্ন ঘটনা বৃদ্ধি পাবলৈ ধৰাত সচেতন মহলে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।

# কৰ্দৈগুৰিত দুদিনীয়াকৈ যুৱ সমাৰোহ-২০২৪ৰ আয়োজন

**ই-সংবাদ, ডুমডুমা, ২১ নৱেম্বৰঃ** মূল্যবৃদ্ধি, নিবনুৱা, বান গৰাখহনীয়া, শিক্ষা, স্বাস্থ্যৰ দৰে জ্বলন্ত সমস্যাৰ বোজাত উশাহ ল'ব নোৱাৰা কৰ্দৈগুৰি অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী তথা যুৱ-প্ৰজন্মক এক নতুন চিন্তাৰ উন্মেষণৰ লক্ষ্য আৰু উদ্দেশ্যেৰে অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ কৰ্দৈগুৰিবাসী ৰাইজৰ সহযোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ২৩ আৰু ২৪ নৱেম্বৰত কৰ্দৈগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত "যুৱ সমাৰোহ-২০২৪"ৰ ব্যাপক আয়োজন কৰা হৈছে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, চিত্ৰাংকন, ভূপেন্দ্ৰ সংগীত, তৰ্ক, বক্তৃতা, সমবেত সংগীত, ৰচনা, ঠাইতে লিখা কবিতা, কুইজ আদি প্ৰতিযোগিতাৰ আয়োজন কৰাৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, ২০২৩-২৪ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠান, শৈক্ষিক পৰ্যালোচনা সভা, "ভূম্যধিকাৰ" শীৰ্ষক এক পৰিৰ্শীলিত পৰ্যালোচনা সভা, বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া, শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা বিশেষ ব্যক্তিসকললৈ বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰাৰ কথা জানিবলৈ দিছে উদ্যোক্তাসকলে। সাংস্কৃতিক শোভাযাত্ৰাত অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ জাতি-জনগোষ্ঠীৰ কলা-কৃষ্টিৰ সম্ভাৰ প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানৰ স্মৃতিগ্ৰন্থ "উন্মেষণ"ৰ লগতে মুখপত্ৰ "সৌমাৰ ভূমিপুত্ৰ"ও উন্মোচন কৰা হ'ব। ২৪ নৱেম্বৰত সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব জনপ্ৰিয় অভিনেত্ৰী আঙুৰলতা ডেকাই।

# বিহাৰত অসমৰ ব্যৱসায়ীক হত্যা

**ই-সংবাদ, ২১ নৱেম্বৰঃ** অসমৰ প্ৰতিষ্ঠিত কয়লা ব্যৱসায়ীক বিহাৰত নৃশংসভাৱে হত্যা কৰাৰ ঘটনাই সমগ্ৰ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। কৃষ্ণকমল মহন্ত নামৰ অসমৰ কয়লা ব্যৱসায়ীজনক বিহাৰৰ মুজাফৰপুৰত হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। গুৱাহাটীৰ বেলতলাত বসবাস কৰা তথা নগাঁৱৰ হয়বৰগাঁৱৰ বাসিন্দা কৃষ্ণকমল মহন্ত প্ৰতিষ্ঠিত কয়লা ব্যৱসায়ী। ৰাজ্যৰ লগতে বহিঃৰাজ্যতো কয়লাৰ ব্যৱসায় কৰে। জানিব পৰা মতে, বিহাৰত কৃষ্ণকমল মহন্তই কয়লা বিক্ৰী কৰিছিল। বিহাৰৰ কয়লা কিনা লোকজনে টকা আদায় দিয়া নাছিল। যাৰ বাবে টকা আনিবলৈ বিহাৰলৈ মুজাফৰপুৰলৈ গৈছিল। কিন্তু মুজাফৰপুৰৰ পৰা জীৱন্তে উভতি আহিব নোৱাৰিলে মুজাফৰপুৰ ব্যৱসায়ী মহন্ত। বিহাৰত কয়লা ব্যৱসায়ীজনক নৃশংসভাৱে হত্যা কৰা হৈছে বুলি অভিযোগ উঠিছে। বিহাৰৰ মুজাফৰপু জিলাৰ বঢ়হমপুৰ আৰক্ষী থানা এলেকাত বৃহস্পতিবাৰে পুৱা কৃষ্ণকমল মহন্তৰ প্ৰাণ দুৰ্বৃত্তই কাঢ়ি নিয়ে। এটা সূত্ৰৰ পৰা জানিব পৰা মতে, বহু টকা পাবলগীয়া আছিল মহন্তই। সেয়েহে পাবলগীয়া ধন বিচাৰি বিহাৰলৈ গৈছিল তেওঁ। খবৰ লাভৰ পিছতে পৰিয়ালে বিহাৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰি বিহাৰলৈ ৰাওনা হোৱা বুলি জানিব পৰা গৈছে।

# বৰমা নগৰ গঠন সম্পৰ্কীয় সভা সম্পন্ন, অন্তৰ্ভুক্ত হ'ব ৫খন গাঁও

**ই-সংবাদ, বৰমা, ২১ নৱেম্বৰঃ** বাক্সা জিলাৰ আটাইকৈ পুৰণি ঠাই বৰমা। বৰমাখনক নগৰ হিচাপে স্বীকৃতি দিবলৈ বিভিন্ন লোক তথা দল-সংগঠনে চৰকাৰক দাবী জনাই আহিছিল। অৱশেষত যোৱা ১৫ আগষ্টত বৰমাক নগৰ হিচাপে আনুষ্ঠানিকভাৱে ঘোষণা কৰে বিটিচি চৰকাৰে। আজি বৰমা ছোৱালী হাইস্কুল প্ৰেক্ষাগৃহত বৰমাক নগৰকৰণক লৈ এক সভা অনুষ্ঠিত হয়। বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওৱাৰ ৰামচিয়াৰীৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত ৰাজহ গাঁও সোমাৱা আৰু ওলোৱা সন্দৰ্ভত বিভিন্নজন ব্যক্তিয়ে মত ব্যক্ত কৰে। বৰমাক নগৰ হিচাপে পাবলৈ পাঁচখনকৈ ৰাজহ গাঁৱক লৈ গঠিত হ'ব বৰমা পৌৰসভা। পৌৰসভাত সোমাব লগা গাঁওকেইখন হৈছে ভোগপুৰ, কালজাৰ, আলাগজাৰ, নিজজুলিকী আৰু বৰমা। আজি বৰমা পৌৰসভা গঠনক লৈ বিভিন্ন দল-সংগঠন, বুদ্ধিজীৱি, সাধাৰণ নাগৰিকৰে মত বিনিময় কৰে চিএইছডিৰ কোকৰাঝাৰ অধ্যক্ষ লংকেশ্বৰ ওৱাৰিয়ে। সভাত বাক্সা জিলাৰ অতিৰিক্ত আয়ুক্ত জিতু কুমাৰ বৰ্মন, নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ বাক্সাৰ অতিৰিক্ত আয়ুক্ত অৰ্নাভি ফুকন, বৰমা ৰাজহ চক্ৰ বিষয়া ঋতুপৰ্ণা দাস, ২৪ নং মুচলপুৰ পৰিষদীয় সমষ্টিৰ টিচিএলচিচৰ চেয়াৰমেন মনেশ্বৰ বসুমতাৰী উপস্থিত থাকে।

# বালাজানত চোৰাং কাঠৰ কুণ্ডাসহ বাহন জব্দ, চালকৰ পলায়ন

**ই-সংবাদ, গোলকগঞ্জ, ২১ নৱেম্বৰঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষীয়ে যোৱা নিশা পুনৰ অভিযান চলাই ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, অঞ্চলটোত সক্ৰিয় হৈ আছে অসমৰ মূল্যৱান কাঠ সমূহ পশ্চিমবংগলৈ চালান চক্ৰৰ এক বৃহৎ ছিণ্ডিকেট। নেতৃত্বত আছে কাঠ মাফিয়া হিচাপে খ্যাত গড়েৰহাটৰ সহিদুল ৰহমান। তেওঁৰ নেতৃত্বত পৰ্বতঝৰা আৰু বাসবাৰী বনাঞ্চলৰ মূল্যৱান কাঠ সমূহ নিতৌ নিশাৰ ভাগত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বলেৰো পিকআপ ভেন আৰু অনুজ্ঞাপত্ৰহীন ইঞ্জিনচালিত তিনিচকীয়া বাহনেৰে পশ্চিমবংগলৈ প্ৰেৰণ কৰে। আগমনি থানা হালাকুৰা আৰক্ষী চকী ছাগলীয়া বন গাননিক বিষয়াৰ কাৰ্যালয়ৰ সন্মুখেৰে গৈ থাকে যদিও চকু মুদি বহি থাকে আৰক্ষী আৰু বন বিভাগ। অৱশ্যে ৰিদিপ ৰায় বালাজান আৰক্ষী চকীত ভাৰপ্ৰাপ্ত বিষয়াৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে পৰহি চোৰাং কাঠ ভৰ্তি বলেৰো পিকআপ ভেন জব্দ কৰাৰ বিপৰীতে পুনৰ নিশা অভিযান চলাই মূল্যৱান কাঠ কঢ়িওৱা এখন অনুজ্ঞাপত্ৰহীন তিনিচকীয়া বাহন জব্দ কৰে। বাহনখনে দহটা প্ৰকাণ্ড কাঠৰ কুণ্ডা কঢ়িয়াই আনিছিল। অৱশ্যে চালকজন পলায়ন কৰিবলৈ সক্ষম হয়।

# দক্ষিণ কামৰূপ কলেজত বিশ্ব দৰ্শন দিৱস পালন দৰ্শন বিভাগৰ

**ই-সংবাদ, মিৰ্জা, ২১ নৱেম্বৰঃ** মিৰ্জাত আজি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ উদ্যোগত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে বিশ্ব দৰ্শন দিৱস পালন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ নৱজ্যোতি দাসে মুকলি কৰা এই দিৱসত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বি বৰুৱা মহাবিদ্যালয় গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা ডঃ প্ৰণতি দেৱী। তেওঁ এই দিৱসৰ লগত সংগতি ৰাখি দৰ্শন বিষয়ৰ প্ৰাসংগিকতা সন্দৰ্ভত ভাষণ প্ৰদান কৰে। তেওঁ লগতে সমাজত দৰ্শনৰ দায়বদ্ধতাৰ বিভিন্ন দিশৰ কথা ভাষণত উল্লেখ কৰে। আৰম্ভণিতে অধ্যাপিকা ডঃ অদিতি দেৱী চৌধুৰীয়ে এই বিশ্ব দৰ্শন দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। মহাবিদ্যালয়খনৰ দৰ্শন বিভাগৰ অধ্যাপিকা জবা কলিতাই আঁত ধৰা এই বিশ্ব দৰ্শন দিৱসত বৰগীত পৰিৱেশন কৰে দৰ্শন বিভাগৰ ছাত্ৰী জানমণি শৰ্মাই। শেষত অধ্যাপক অনুজ কলিতাই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰাৰ পাছত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা শিৱানী কুমাৰীয়ে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠিত হয় 'মত বিনিময়' অনুষ্ঠান।

# লাহৰিঘাটত ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ সম্পন্ন

**ই-সংবাদ, মৰিগাঁও, ২১ নৱেম্বৰঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ আলোচনা চক্ৰ উপ-সমিতিৰ উদ্যোগত আৰু লাহৰিঘাট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ সহযোগত আজি 'মূল্যবোধ শিক্ষা আৰু শিক্ষকৰ সামাজিক দায়বদ্ধতা' শীৰ্ষক বিষয়ত এখনি ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। এই মনোজ্ঞ আলোচনা চক্ৰখনিত সভাপতিত্ব কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই। আলোচনা চক্ৰখনি উদ্বোধন কৰে মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ সভাপতি নুৰ মহম্মদে আৰু আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়খনৰ অধ্যক্ষ ফাইজুৰ ৰহমানে। মৰিগাঁও জিলা সাহিত্য সভাৰ আলোচনা চক্ৰ উপ-সমিতিৰ সম্পাদিকা ডঃ নাজমা বেগমে আঁত ধৰা আলোচনা চক্ৰত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তথ্য সমৃদ্ধ ভাষণ প্ৰদান কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ সাংবাদিক বুবুমণি গোস্বামীয়ে। ভাষণ প্ৰসংগত তেওঁ কয় যে শিক্ষকসকল হৈছে মূল্যবোধ নিৰ্মাণৰ অভিযন্তা, মূল্যবোধ গঢ়াৰ স্থপতি। শিক্ষা প্ৰতিষ্ঠানসমূহ হৈছে মূল্যবোধ চৰ্চাৰ অনন্য শিল্পালয়। বৰ্তমান সমাজ ব্যৱস্থা ৰক্ষাৰ বাবে মূল্যবোধ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজন। প্ৰায় দুশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা আলোচনা চক্ৰখনিত বক্তব্য প্ৰদান কৰে বিদ্যালয়খনৰ বিষয় শিক্ষক চাহাবুদ্দিন আহমেদ আৰু চাইফুল ইচলাম ফাৰুকীয়ে। আলোচনা চক্ৰত বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলৰ লগতে সাংবাদিক খাইৰুল ইছলাম আৰু সাহিত্য সভাৰ আজীৱন সদস্য মুকিবুৰ ৰহমান প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত সম্পাদিকা ডঃ বেগমে উপস্থিত সকলোকে সহায়-সহযোগিতাৰ বাবে শলাগৰ শৰাই আগবঢ়ায়। বিশেষকৈ বিদ্যালয়খনে আলোচনা চক্ৰখনি অনুষ্ঠিত কৰাত আগবঢ়োৱা অকৃত্ৰিম সহযোগিতাৰ বাবে অধ্যক্ষ প্ৰমুখ্যে সকলোকে কৃতজ্ঞতা জনায়। শেষত জাতীয় সংগীত সমস্বৰে পৰিৱেশনেৰে আলোচনা চক্ৰৰ সামৰণি পৰে।



মাজ নিশাও নলবাৰী ৰাসত ব্যাপক ভিৰ, ফটো বৃহস্পতিবাৰৰ

## ভাৰত-তিব্বত সহযোগ মঞ্চৰ প্ৰতিষ্ঠাপক ডঃ ইন্দ্ৰেশ কুমাৰ

# ‘হিমালয় সদায় ভাৰতৰ আছিল, আছে আৰু থাকিবই’

**ই-সংবাদ, ছিপাঝাৰ, ২১ নৱেম্বৰঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ জ্যেষ্ঠ প্ৰচাৰক তথা ভাৰত-তিব্বত সহযোগী মঞ্চৰ প্ৰতিষ্ঠাপক ডঃ ইন্দ্ৰেশ কুমাৰ আৰু ৰাষ্ট্ৰীয় মহামন্ত্ৰী পংকজ গোৱেলক বুধবাৰে ছিপাঝাৰত আয়োজিত এক অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ভাৰত-তীব্বত সহযোগী মঞ্চৰ বিশেষ কাৰ্যক্ৰম হিচাপে অৰুণাচল প্ৰদেশৰ টাৱাঙলৈ তীৰ্থ যাত্ৰা কৰিবলৈ অহা দুয়োগৰাকী স্বয়ং সেৱকক ছিপাঝাৰ বিজেপিৰ তৰফৰ পৰা ইয়াৰ ঐতিহাসিক নাৰিকলি মন্দিৰত আদৰণি জনোৱা হয়। আদৰণি পৰ্বৰ পিছতে সংবাদ মাধ্যমৰে হোৱা মুখামুখিত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ জ্যেষ্ঠ প্ৰচাৰক ডঃ ইন্দ্ৰেশে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি কয় যে হিমালয় ভাৰতৰ আছিল, হে আছে আৰু থাকিব। একেদৰে ১৯৫৯ চনত তিব্বতত চীনৰ আগ্ৰাসনৰ লগতে পৰৱৰ্তী সময়ত অৰুণাচল, অসম, হিমাচল প্ৰদেশ আৰু কাশ্মীৰত চীনৰ সাম্ৰাজ্যবাদ বিস্তাৰৰ কুচকাৱাজৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে ভাৰত-তিব্বত সহযোগ মঞ্চৰ প্ৰতিষ্ঠাপকগৰাকী। ছিপাঝাৰ সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, ৰাজ্যিক বিজেপি নেতা কুলদীপ বৰুৱা, ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষা নীলিমা দেৱী, ৰাণা বশিষ্ঠ আদিয়ে দুয়োগৰাকী ৰাষ্ট্ৰীয় নেতাক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# অইলমেস্কৰ পৰা ধন লৈ নিলম্বিত ছাত্ৰ নেতা

**ই-সংবাদ, মৰিয়নি, ২১ নৱেম্বৰঃ** তৈল খনন কোম্পানী অইলমেস্কৰ গধুৰ যান-বাহন চলাচল কৰা চেলেং চাহ বাগিছাৰ পথ নিৰ্মাণৰ দাবীত আন্দোলনৰ ভাবুকি দি অইলমেস্কৰপৰা ধন সংগ্ৰহৰ অভিযোগত নিলম্বিত হ'ল আটছাৰ টীয়ক শাখাৰ সভাপতিজন। প্ৰাপ্ত তথ্য মতে চেলেং চাহ বাগিছাৰ পথত অইলমেস্ক নামৰ তৈল কোম্পানীৰ গধুৰ যানবাহন চলাচলত বাধা আৰোপ কৰি কেইমাহ মান পূৰ্বে আটছাই এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি টেংকাৰ চলাচলত বাধা আৰোপ কৰিছিল। কিন্তু আটছাৰ আন্দোলনৰ এদিন পিছতে অইল মেস্কৰ গধুৰ যান-বাহন সমূহ পূৰ্বৰ দৰে চলাচল কৰি থাকে। পৰৱৰ্তী সময়ত আন্দোলনৰ নেতৃত্ব দিয়া এগৰাকী আটছা নেতাৰ বিৰুদ্ধে অইলমেস্কৰ সৈতে গোপন বুজাবুজিৰে ধনৰ লেন দেন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হয়। এই অভিযোগৰ ভিত্তিত আটছাৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰপৰা এক তদন্ত সমিতি গঠন কৰি দিয়া হয়। তদন্ত সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত আটছাৰ টীয়ক শাখাৰ সভাপতিজনক তাৎক্ষণিকভাৱে নিলম্বন কৰা হয়।



অসম বিধান সভাৰ নতুনকৈ নিৰ্মাণ হোৱা বহুকেইটা প্ৰকল্প উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে

# কটহগুৰি কলেজৰ নিৰ্বাচনত মুছাৰ সমৰ্থিত প্ৰাৰ্থীৰ আধিপত্য

**ই-সংবাদ, বেবেজীয়া, ২১ নৱেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বৃহত্তৰ কটহগুৰি অঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান কটহগুৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন বুধবাৰে অনুষ্ঠিত হৈ যায়। এইবাৰৰ ছাত্ৰ একতা সভাখনৰ নিৰ্বাচনত মুছলিম ছাত্ৰ সন্থা, অসম চমুকৈ মুছাৰ সমৰ্থিত প্ৰাৰ্থীয়ে বিশেষ আধিপত্য লাভ কৰিবলৈ সক্ষম হয়। এই নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱা মুছাৰ সমৰ্থিত প্ৰাৰ্থীসকল হৈছে- সভাপতি পদত ৰকিবুল হুছেইন, দুখীয়া সাহায্য সম্পাদক পদত ফিৰোজ আহমেদ, ল'ৰাৰ জিৰণি কোঠাৰ সম্পাদক পদত আজাহাৰুল আলী চৌধুৰী, মিউজিক আৰু ড্ৰামাৰ সম্পাদক পদত ৰাকিবুল আহমেদ আৰু এন এছ এছৰ সম্পাদক পদত আলা উদ্দিন। ইয়াৰ বিপৰীতে নিৰ্বাচন অনুষ্ঠিত হোৱা সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক, সাংস্কৃতিক সম্পাদক আৰু সমাজ সেৱা সম্পাদক পদত ক্ৰমে মুছাৰ সমৰ্থিত প্ৰাৰ্থী ছোহাইল আনজুম, নাফিজা তাছনিম, জেহান মোবাৰক আৰু ছুৰাত ৰানা হাচান তেওঁলোকৰ নিকটতম প্ৰতিদ্বন্দ্বীক বিপুল ভোটত পৰাজিত কৰি বিজয়ী হৈছে। ইফালে, কটহগুৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ এনে ফলাফলত উৎফুল্লিত হৈ পৰি মুছলিম ছাত্ৰ সন্থা, অসমৰ সভাপতি আশ্বিক ৰাব্বানীয়ে এই জয় ছাত্ৰ-ছাত্ৰীৰ জয় বুলি অভিহিত কৰি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ সমাধানৰ বাবে যাৱতীয় কাম-কাজ নিয়াৰিকৈ মুছাই কৰাৰ পোষকতা কৰে। লগতে বিজয়ী সকলো প্ৰাৰ্থীকে তেওঁ মুছাৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে।

# খৈৰাণীত ৰাষ্ট্ৰভক্তি উৎসৱ

**ই-সংবাদ, তামুলপুৰ, ২১ নৱেম্বৰঃ** তামুলপুৰ জিলা সদৰৰ ভাৰত-ভূটান সীমান্তৰ কুমাৰীকাটাৰ খৈৰাণীত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে খৈৰাণী শিৱ মন্দিৰ প্ৰাংগণত ৰাষ্ট্ৰভক্তি উৎসৱ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ মূল লক্ষ্য হৈছে সনাতন ধৰ্মৰ লোকসকলক উৎসাহিত কৰা। ইতিমধ্যে অসমৰ কেইবাখনো জিলাত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী বাবা সত্যনাৰায়ণ মৌৰ্যয়ে এই বিশেষ অনুষ্ঠানত উপস্থিত থাকি সনাতন ধৰ্মৰ বিষয়ে চিত্ৰকলা, সংগীত আৰু কবিতাৰে ভাষণ আগবঢ়ায়। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰী, ৰংজা খুংগুৰ বসুমতাৰীৰ লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল।

# বৰালিমাৰীত ভয়ংকৰ অগ্নিকাণ্ড



**ই-সংবাদ, মৰিগাঁও, ২১ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ ভুৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বৰালিমাৰীত আজি পুৱাৰ ভাগত এক ভয়ানক অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত অঞ্চলটোৰ ৬ টাকৈ পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণ ৰূপে ভস্মীভূত হয়। প্ৰাপ্ত তথ্য মতে, অগ্নিকাণ্ডত বৰালিমাৰী বজাৰৰ সমীপৰ চুবুৰীটোৰ এঘৰ মানুহৰ ঘৰত এটা এল পি জি গেছ ভৰ্তি চিলিণ্ডাৰ বিস্ফোৰণ হয়। ইয়াৰ পিছ মুহূৰ্ততে জুইৰ লেলিহান শিখাই চুবুৰীটোৰ ৬ টা পৰিয়ালৰ ঘৰ-দুৱাৰ সম্পূৰ্ণ ৰূপে ভস্মীভূত কৰে। ফলত পৰিয়াকেইটাৰ কেবা লক্ষাধিক টকাৰ সা-সামগ্ৰী জুইত জাহ যায়। অগ্নিকাণ্ডটো সংঘটিত হোৱাৰ লগে লগে মৰিগাঁৱৰ অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়া হয় যদিও বাট-পথৰ দুৰৱস্থাৰ বাবে বহু সময়ৰ পিছতহে অগ্নি নিৰ্বাপক বাহিনীৰ বাহন অঞ্চলটোত উপস্থিত হ'বলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত স্থানীয় ৰাইজৰ তৎপৰতাত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। বৰ্তমানলৈকে অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও গেছৰ চিলিণ্ডাৰ বিস্ফোৰণ বাবেই এই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি ৰাইজে ধাৰণা কৰিছে। অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই যদিও চুবুৰীটোৰ চাহিদুল ইছলাম, ইজাজুল হক, বাহাৰুল ইছলাম, মহম্মদ আলী, চান্দাকাচ আৰু জ্বলিল উদ্দিনৰ বাসগৃহ কেইটা সম্পূৰ্ণৰূপে ভস্মীভূত হয়। দুজনৰ বাসগৃহ আংশিকভাৱে ক্ষতিগ্ৰস্ত হয়

## পৰ্যাপ্ত চিকিৎসক-নাৰ্চ নিয়োগৰ লগতে ২৪ ঘণ্টাই খোলা ৰখাৰ দাবী

# এগৰাকী চিকিৎসকৰ দ্বাৰাই চলিছে ছৈখোৱাঘাট চিকিৎসালয়

**ই-সংবাদ, ডুমডুমা, ২১ নৱেম্বৰঃ** দেশৰ এখনৰ পিছত এখনকৈ ৰাজ্যৰ নিৰ্বাচনী প্ৰচাৰৰ দায়িত্বত সময় অতিবাহিত কৰা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত থকা এটা বিভাগৰ এক পয়ালগা ছবি পোহৰলৈ আহিছে। তিনিচুকীয়া জিলাৰ প্ৰান্তৰবৰ্তী ছৈখোৱাঘাটৰ ধলা বজাৰস্থিত ছৈখোৱাঘাট ৰাজ্যিক চিকিৎসালয়খন প্ৰায় দুবছৰ ধৰি এগৰাকী চিকিৎসকৰ দ্বাৰাই চলি অহাৰ কথা জানিব পৰা গৈছে। অবিশ্বাস্য হ'লেও সত্য যে প্ৰায় ৫০ সহস্ৰাধিক ৰাইজৰ একমাত্ৰ আশা-ভৰষাস্থলী স্বৰূপ ছৈখোৱাঘাট ৰাজ্যিক চিকিৎসালয়খনত ডাঃ অভিজিত চেতিয়া নামৰ চিকিৎসক গৰাকীয়েই চিকিৎসালয়খন চলাই নিবলগীয়াত পৰিছে বিগত দুটা বছৰে। চিকিৎসালয়খনৰ চিকিৎসক তথা ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়াগৰাকী জিলা স্বাস্থ্য বিভাগৰ এক পদবীটো কাৰ্য্যনিৰ্বাহ কৰি অহাৰ কথা জানিব পৰা গৈছে। জানিব পৰা মতে, চিকিৎসকগৰাকীয়ে চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়াৰ উপৰিও জিলা স্বাস্থ্য বিভাগৰ ন'ডেল বিষয়া হিচাপেও দায়িত্ব পালন কৰি আহিছে। ৰাজ্যিক চিকিৎসালয়খনৰ একমাত্ৰ চিকিৎসক হোৱাৰ বাবে কিবা কাৰণত ছুটি অথবা চৰকাৰী কাৰ্য্যসূচী তথা বিভাগীয় দায়িত্বত ক'ৰবালৈ যাবলগীয়া হ'লে সেইদিনটোৰ বাবে চিকিৎসালয়খনলৈ আন ক'ৰবাৰ পৰা চিকিৎসক নিৰ্দিষ্ট সময়ৰ বাবে চিকিৎসালয়খনলৈ আহি নিৰ্দিষ্ট সময়ৰ ভিতৰত বৰ্হি: বিভাগত নাম পঞ্জীয়ন কৰা ৰোগীসকলক চিকিৎসা সেৱা প্ৰদান কৰে। এক কথাত জোৰা-টাপলি মাৰিয়েই চৰকাৰ তথা স্বাস্থ্য বিভাগে ছৈখোৱাঘাট ৰাজ্যিক চিকিৎসালয়খন চলাই আহিছে।চিকিৎসালয়খনত সম্প্ৰতি চিকিৎসকগৰাকীৰ লগতে ২ গৰাকী জিএনএম নাৰ্চ, ২ গৰাকী এএনএম নাৰ্চ নিয়োজিত হৈ আছে। চিকিৎসালয়খনত ১ গৰাকী লেবৰেটৰী টেকনিচিয়ান, ১ গৰাকী ফাৰ্মাচিষ্টসহ মুঠ অন্যান্য মেডিকেল ষ্টাফৰ সংখ্যা হৈছে মুঠ ১৩ গৰাকী। চিকিৎসালয়খনত কেৱল অ'পিডি আৰু আৰআই বিভাগ দুটাহে উপলব্ধ। চিকিৎসালয়খনৰ মুঠ বিচনাৰ সংখ্যা ৮ খন। অস্ত্ৰোপচাৰ তথা কোনো জটিল ৰোগৰ চিকিৎসাৰ সুবিধা নথকা ছৈখোৱাঘাট ৰাজ্যিক চিকিৎসালয়খন নামতহে এখন ৰাজ্যিক চিকিৎসালয়, কামত হ'লে একো নাই বুলি অভিযোগ উত্থাপিত হৈছে। কাৰণ এখন ৰাজ্যিক চিকিৎসালয়ত থাকিবলগীয়া পৰ্যাপ্ত সা-সুবিধাৰ অভাৱ ছৈখোৱাঘাট ৰাজ্যিক চিকিৎসালয়ত। চিকিৎসালয়খনৰ এনে দুৰৱস্থাৰ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাকে ধৰি অন্যান্য সংগঠনে বিভিন্ন সময়ত দাবী উত্থাপন কৰি অহাৰ পিছতো চৰকাৰ তথা জিলা স্বাস্থ্য বিভাগৰ এইক্ষেত্ৰত অকণো গা লৰা নাই। বৃহত্তৰ ছৈখোৱাঘাট অঞ্চলৰ সচেতন মহলে ছৈখোৱাঘাট ৰাজ্যিক চিকিৎসালয়খনৰ এনে দুৰৱস্থাৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে জনপ্ৰতিনিধি গৰাকীৰ নিষ্ক্ৰিয় ভূমিকাকো গৰিহণা দিছে। যি সময়ত চৰকাৰে এখনৰ পিছত এখন মেডিকেল কলেজ স্থাপনেৰে চৰকাৰে স্বাস্থ্য বিভাগটোৰ এক প্ৰকাৰৰ জয়ঢোল বজাই আহিছে, সেই সময়তে চিকিৎসা সেৱাৰ নামত এক প্ৰকাৰৰ ককবকাই থকা বৃহত্তৰ ছৈখোৱাঘাটবাসী অঞ্চলৰ ৰাইজৰ একমাত্ৰ ছৈখোৱাঘাট ৰাজ্যিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসকৰ অভাৱৰ বিষয়টোৱে ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ আন এক ফোপোলা স্বৰূপটোক পুনৰ এবাৰ উন্মোচিত কৰিছে।

# ডিব্ৰুগড়ত সুধাকণ্ঠৰ স্মৃতি বিজড়িত 'মঞ্চৰূপা'ৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ২১ নৱেম্বৰঃ** গৌৰৱময় ৬৭ বৰ্ষপূৰ্ণ কৰিলে সুধাকণ্ঠৰ 'মঞ্চৰূপা'ই। এই উদ্দেশ্যে ২০ নৱেম্বৰত ডিব্ৰুগড়ৰ স্থানীয় আমোলাপট্টি নাট্য মন্দিৰত সন্ধিয়া অনুষ্ঠিত হোৱা ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ বন্তি প্ৰজ্বালনেৰে মঞ্চ উদ্বোধন কৰে গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা 'মঞ্চৰূপা'ৰ প্ৰাক্তন সভাপতি প্ৰশান্ত বৰদলৈয়ে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰতিষ্ঠাপকদ্বয় ড০ ভূপেন হাজৰিকা আৰু হাচান ছৰিফ আহমদৰ প্ৰতিকৃতিত শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সদ্যপ্ৰয়াত অভিনেতা শিৱ প্ৰসাদ দত্তৰ আত্মাৰ সদগতিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। প্ৰতীক-চিহ্নৰ নৃত্য, শীৰ্ষ গীত পৰিৱেশনৰ লগতে বিভিন্ন নৃত্য-গীতেৰে প্ৰেক্ষাগৃহ-পূৰ্ণ ৰাইজক মোহাচ্ছন্ন কৰে 'মঞ্চৰূপা'ৰ শিল্পীসকলে। নৃত্য পৰিৱেশন কৰে ক্ৰমে প্ৰস্তুতি চাংকাকতি, তনভি তনয়া বৰুৱা, আমন্ত্ৰিত শিল্পী মিনাক্ষী গগৈ আৰু সংগীতা কৰৰ পৰিচালনাৰে 'দেৱদাসী নৃত্য' আৰু শাস্ত্ৰীয় নৃত্য দলে। গীত পৰিৱেশন কৰে বনগীতৰ সম্ৰাট পদ্ম দাস, নিলীমা বৰদলৈ,



ডও সুৰজিত বৰকটকী, ডও শ্ৰুতিধাৰা মহন্ত, ননীমাধৱ বৰকটকী, ইমন সৌৰভ বৰুৱা আৰু ৰতন গগৈয়ে। প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানৰ মাজতে উদীয়মান শিল্পী ইমন সৌৰভ বৰুৱাৰ কণ্ঠৰ প্ৰশান্ত বৰদলৈ ৰচিত এটি গীত উন্মোচন কৰে জনপ্ৰিয় শিল্পী ৰাম চাচনীয়ে। 'মঞ্চৰূপা'ৰ সভাপতি শিল্পী চন্দন পাঠক, কাৰ্যকৰী সভাপতি বলিন্দ্ৰ নাথ বৰদলৈ, সম্পাদক লাকি চাংকাকতি, কোষাধ্যক্ষ চৈয়দা মাচহুদা ৰহমান, কাৰ্যনিৰ্বাহক সদস্য সৌৰভ বৰুৱা, ভুবন বৰুৱা, কবিতা শৰ্মা, মেঘালী শৰ্মা, মাধুৰিমা দত্ত আদি বিষয়ববীয়াসকলৰ হাতেৰে সম্বৰ্ধনা জনোৱা হয় ৰঞ্জনা শৰ্মা বৰদলৈ, পদ্ম দাস, ডাঃ বিপিন্দ্ৰ নাথ কাকতি, ৰাম চাচনী, ডও ৰঘু বৰবৰা, শেৱালি বৰবৰা, শৈলেন দত্ত, দুৰ্গা বৰঠাকুৰ, ব্ৰজেন পাঠক, মীৰ্জা নিয়ামুদ্দিন চৰিফ আহমেদ আদি 'মঞ্চৰূপা'ৰ দীৰ্ঘ পৰিক্ৰমাত সক্ৰীয়ভাৱে জড়িত বিশিষ্ট ব্যক্তিসকলক। সাংস্কৃতিক সন্ধিয়াৰ আঁত ধৰে সাংস্কৃতিক সম্পাদক শিল্পী হাচান ইকবালে। উল্লেখ্য যে ১৯৫৭ চনত শিল্পী সতীৰ্থ হাচান ছৰিফ আহমদৰ সৈতে সুধাকণ্ঠই ডিব্ৰুগড়ত প্ৰতিষ্ঠা কৰিছিল এই সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'মঞ্চৰূপা' আৰু তেতিয়াৰ পৰাই প্ৰতিবছৰে ইয়াক বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰি আহিছে।

# কৃষি বিশ্ববিদ্যালয়ত সাম্প্ৰদায়িক সম্প্ৰীতি প্ৰচাৰ সপ্তাহ পালন




**ই-সংবাদ, যোৰহাট, ২১ নবেম্বৰঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ চাহ কৃষিকৰ্ম আৰু প্ৰযুক্তি বিদ্যা বিভাগত আজি সাম্প্ৰদায়িক সম্প্ৰীতি প্ৰচাৰ সপ্তাহৰ কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে চাহ কৃষিকৰ্ম আৰু প্ৰযুক্তি বিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক ড: মৃদুল ডেকাই ১৯-২৫ নবেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া এই সপ্তাহৰ তাৎপৰ্য আৰু গুৰুত্বৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড০ বিনয় কুমাৰ মেধিয়ে সাম্প্ৰদায়িক সম্প্ৰীতি আমাৰ সকলোৰে বাবে প্ৰয়োজনীয় বুলি উল্লেখ কৰি ছাত্ৰাৱস্থাতে এই দিশত সজাগতা অনাৰ বাবে এনে অনুষ্ঠানৰ অনুপ্ৰাণিত কৰিব পাৰে আশা ব্যক্ত কৰে। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড: ৰঞ্জিত কুমাৰ সাউদে শিক্ষাৰ্থীসকলৰ মাজত সাম্প্ৰদায়িক সম্প্ৰীতিৰ সজাগতাই ভৱিষ্যতৰ সমাজৰ উত্তৰণৰ পথ প্ৰশস্ত কৰিব পাৰে বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত চাহ কৃষিকৰ্ম আৰু প্ৰযুক্তি বিদ্যা বিভাগৰ জ্যেষ্ঠ অধ্যাপক ডঃ ৰাণা প্ৰতাপ ভূঞা, ড: গৌতম শইকীয়া প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীয়ে ভাগ লয়।

# হাজোত ধন দাবী কৰিবলৈ আহি আটক জাতীয় সংগঠনৰ নেতা

**ই-সংবাদ, হাজো, ২১ নৱেম্বৰঃ** এইবাৰ ধন দাবী কৰিবলৈ আহি ৰাইজৰ ৰোষত জাতীয় সংগঠনৰ নেতা। এই ঘটনা সংঘটিত হৈছে কামৰূপ জিলাৰ হাজোৰ চেঁচামুখত। কালি সন্ধিয়া সময়ত চেঁচামুখ চক্ৰশীলা ৰাস মহোৎসৱৰ সাধাৰণ সম্পাদক গিৰিন্দ্ৰ কলিতাক ফোনত যোগাযোগ কৰি এজন যুৱকে দাবী কৰে ১লাখ টকা। ফোনত কিছু সময় কথা-বতৰা হোৱাৰ পিছতেই দাবী কৰা ধনৰাশি নিবলৈ আহি ৰাইজৰ হাতত আটক স্বয়ম্ভূ জাতীয় সংগঠনৰ নেতা ঋতুৰাজ শইকীয়া। অসমীয়া যুৱ মঞ্চ নামৰ এটা সংগঠনৰ হৈ ধন দাবী কৰিবলৈ আহি ৰাইজৰ হাতত আটক হোৱা ঋতুৰাজক ধৰি চৰ শোধাই ৰাইজে। ইয়াৰ পিছতেই ধৃত ঋতুৰাজক হাজো আৰক্ষীক গতাই দিয়ে ৰাস পৰিচালনা সমিতিয়ে। অহা ২৫ ডিচেম্বৰত সংগঠনটোৰ হ'বলগীয়া অধিবেশনৰ গইনা লৈ সম্পাদকগৰাকীক দাবী কৰিছিল এক লাখ টকা। আটকাধীন যুৱক জনৰ ভাষ্য অনুসৰি পংকজ গগৈ নামৰ আন এজন যুৱকে ঋতুৰাজ শইকীয়াকক ফোন নং প্ৰেৰণ কৰি ধন বিচাৰিবলৈ কৈছিল। ধৃত ঋতুৰাজৰ ঘৰ শিৱসাগৰ জিলাৰ নামতি ভেৰাবাৰী গাঁৱত।

# কৈহাটীত ঢুলীয়া সমাৰোহৰ আয়োজন

**ই-সংবাদ, নলবাৰী, ২১ নৱেম্বৰঃ** অসম সাহিত্য সভাৰ পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপ সমিতিৰ উদ্যোগত নলবাৰী জিলা সাহিত্য সভা, কৈহাটী ঢুলীয়া সমাজ আৰু কৈহাটীবাসীৰ সহযোগত অহা ১ ডিচেম্বৰত ২২২ নম্বৰ কৈহাটী নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয় প্ৰাংগনত এখন ঢুলীয়া সমাৰোহ আৰু কৰ্মশালাৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ৬ বজাত সমূহীয়া চাফাই অভিযান, পুৱা ৮ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন, ৮-৩০ বজাত স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন,পুৱা ৮-৪৫ বজাত ছহিদ তৰ্পণ, পুৱা ৯ বজাত সংগীত নাটক অকাডেমি বঁটা প্ৰাপক মোহন ভাইৰাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বন্তি প্ৰজ্বলন কৰিব ঢুলীয়া শিল্পী মোহন ভাইৰাৰ সহধৰ্মিনী সৰস্বতী বৰ্মনে আৰু মাল্যাৰ্পন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই আৰু ১৪ জন বিশিষ্ট ব্যক্তিয়ে পুষ্পাঞ্জলি অৰ্পণ কৰিব। পুৱা ৯-১৫ বজাত গছপুলি ৰোপণ, পুৱা ১০ বজাত ঢুলীয়া দল সমূহৰ দ্বাৰা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা, পুৱা ১০-৩০ বজাত ঢুলীয়া কৰ্মশালাৰ অংশ গ্ৰহণকাৰীৰ নাম পঞ্জীয়ন। পুৱা ১১ বজাত কৰ্মশালা উদ্বোধন কৰিব বজালী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে। পুৱা ১১-৩০ বজাত ঢুলীয়া সমাৰোহ উদ্বোধন। দিনৰ ১ বজাত অনুষ্ঠিত হ'ব লগা মুকলি সভাত সভাপতিত্ব কৰিব অসম সাহিত্য সভাৰ পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপ সমিতিৰ কাৰ্যকৰী সভাপতি মধুসুদন মেধিয়ে আৰু সভাখন উদ্বোধন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডঃ উপেন্দ্ৰজিৎ শৰ্মাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডাঃ গিৰীশ সন্দিকৈ, গ্ৰন্থ উন্মোচন কৰিব কৰুণা কান্ত কলিতাই আৰু বিশিষ্ট অতিথি হিচাপে যোগদান কৰিব মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাই। ঢুলীয়া সমাৰোহ আৰু কৰ্মশালাৰ কাৰ্যসূচী সমূহত ৰাইজৰ উপস্থিতি উদ্যোক্তা সমিতিয়ে কামনা কৰিছে।

# মদাৰতলা বিদ্যাপীঠত প্ৰাক্তন সতীৰ্থ সমাৰোহ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২১ নবেম্বৰঃ** কামৰূপ জিলাৰ মদনপুৰস্থিত ঐতিহ্য মণ্ডিত মদাৰতলা বিদ্যাপীঠ হাইস্কুলৰ দুদিনীয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সমাৰোহৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। অহা ২৩ আৰু ২৪ নবেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুস্থিত হ'বলগীয়া এই সমাৰোহৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৮ বজাত সমূহীয়া চাফাই অভিযান, পতাকা উত্তোলন, শ্বহীদ তৰ্পণ কাৰ্যসুচী অনুষ্ঠিত হ'ব। ১০ বজাৰ পৰা সতীৰ্থ সন্মিলন তথা ১২ বজাৰ পৰা "স্মৃতিৰ সফুৰা বিচাৰি" শীৰ্ষক অন্তৰংগ আলাপ অনুস্থানত প্ৰধান সঞ্চালক হিচাপে আসন গ্ৰহণ কৰিব সমাৰোহৰ কাৰ্যকৰী সভাপতি শশধৰ ডেকাই তথা সঞ্চালক হিচাপে আসন গ্ৰহণ কৰিব বিশিষ্ট চিকিৎসক ডাঃ কাৰ্তিক ডেকা, আই আই টি, গুৱাহাটীৰ অধ্যাপক ড০ ভূপেন ডেকাই, চিকিৎসক ডাঃ নিপু ভৰতৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে। দিনৰ ২-৩০ বজাৰ পৰা "আদৰ্শ শিক্ষক" বিষয়ত বক্তৃতা প্ৰদান কৰিব সাহিত্য একাডেমী অনুবাদ বটা প্ৰাপক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক দিগন্ত বিশ্ব শৰ্মাই। আনহাতে "বৰ্তমান শিক্ষাৰ্থী আৰু অভিভাৱকৰ দায়িত্ব" শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিব যুৱ সাংবাদিক এঞ্জেলা চাংমাই। গধুলি ৬ বজাত বন্তি প্ৰজ্বলন অনুষ্ঠানৰ পিছতে অনুস্থিত হবলগীয়া সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই। দ্বিতীয় দিনা অৰ্থাৎ ২৪ নবেম্বৰ তাৰিখে পুৱা ৮ বজাত সমূহীয়া চাফাই অভিযান পৰিচালনা কৰিব বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি যতীন্দ্ৰ ডেকাই। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব জনপ্ৰিয় কৌতুক অভিনেতা ৰমেন তামুলী আৰু মানস শৰ্মাই। ২-৩০ বজাৰ পৰা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা ভট্টদেৱ বিশ্ববিদ্যালয়, বজালীৰ উপাচাৰ্য্য ড০ ধনপতি ডেকাৰ পৌৰহিত্যত ত মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কামৰূপ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতা। নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰিব হৃষীকেশ গোস্বামী তথা বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকিব দৰং ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা। সমাৰোহ উপলক্ষে প্ৰস্তুত কৰা স্মৃতিগ্ৰন্থ " সতীৰ্থ" উন্মোচন কৰিব কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড০ নৃপেন্দ্ৰ নাথ তালুকদাৰে। সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট শিল্পী, লেখক, ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে।

# ওদালগুৰি প্ৰিমিয়াৰ লীগ থাণ্ডাৰৰ হাতত পৰাস্ত অ'এমচিচি

**ই-সংবাদ, ওদালগুৰি, ২১ নৱেম্বৰঃ** ওদালগুৰি ইউপিএল খেল পৰিচালনা সমিতিৰ উদ্যোগত দ্বিতীয় সংস্কৰণৰ এম.এম কনষ্ট্ৰাকছন ওদালগুৰি প্ৰীমিয়াৰ লীগ ২০২৪ৰ আজি পঞ্চমখন খেলত থাণ্ডাৰ ষ্ট্ৰাইকাৰে অএমচিচিক ৬ উইকেটত পৰাস্ত কৰে। টছত জিকি অ'এমচিচিক বেট ধৰিবলৈ আমন্ত্ৰণ জনাই থাণ্ডাৰে। ফলত অ'এমচিচিয়ে ১৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৫৩ ৰাণত ইনিংছ সামৰে। থাণ্ডাৰৰ ছুনীল আখটাৰে ৪টা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি থাণ্ডাৰে ৪ উইকেট হেৰুৱাই ৬.৫ অভাৰতে জয়ৰ লক্ষ্যত উপনীত হয়। আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে থাণ্ডাৰৰ ছুনীল আখটাৰে।



অনুশীলনৰ সময়ত শুভমন-যশস্বী, বৃহস্পতিবাৰে

# লাহৰীঘাটত ধৃত পানী তোলা মটৰ চোৰ ৰাজিবুল

**ই-সংবাদ, লাহৰীঘাট, ২১ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত কুশতলিত বিদ্যুৎ মটৰ চুৰি কৰিবলৈ আহি হাতে-লোটে ধৰা পৰে এটা চোৰ। ধৃত চোৰটো লাহৰীঘাট থানা এলেকাৰ বগলীপাৰা গাঁৱৰ ৰাজিবুল আলী বুলি জানিব পৰা গৈছে। তথ্য মতে, কালি আবেলিৰ ভাগত কুশতলি গাঁৱৰ এঘৰ মানুহৰ ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰটো গৃহস্থৰ ঘৰৰ চৌহদত সোমাই গৃহস্থৰ পানী উঠোৱা বিদ্যুৎ মটৰটো খুলি থকা অৱস্থাত ধৰা পৰে। মটৰটো চুৰি কৰি থকা অৱস্থাত এজনে দেখি চোৰ চোৰ বুলি চিঞৰি দিয়াত ৰাইজে আটক কৰে চোৰটোক। পাছত গাঁৱৰ ৰাইজে চোৰটোক উত্তম-মধ্যম দি স্থানীয় গাঁওবুঢ়াক গতাই দিয়ে। ঘটনাৰ বিষয়ে আৰক্ষীক খবৰ দিয়াত লাহৰীঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চোৰটোক থানা লৈ আনে। উল্লেখ্য যে যোৱা কিছুদিন ধৰি অঞ্চলটোত ধাৰাবাহিকভাৱে বিদ্যুৎ মটৰ চুৰিৰ ঘটনা সংঘটিত হৈ আহিছিল।




বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ সৈতে অষ্ট্ৰেলিয়াৰ অধিনায়ক পেট কামিন্স আৰু ভাৰতৰ যশপ্ৰীত বুমৰাহ, বৃহস্পতিবাৰে

## পাৰ্থত 'কেংগাৰু বধ'ৰ বাবে সাজু বুমৰাহ বাহিনী

# আজিৰে পৰা বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথম মেচ

**ছিডনী, ২১ নৱেম্বৰঃ** অষ্ট্ৰেলিয়াৰ পাৰ্থত শুকুৰবাৰে পুৰা বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথমখন খেল খেলিব টীম ইণ্ডিয়াই। পূৰ্বে ঘোষণা কৰা অনুসৰি এই মেচত দলৰ পৰা আঁতৰি আছে ৰোহিত শৰ্মা। তেওঁৰ অনুপস্থিতিত বুমৰাহে দলক নেতৃত্ব দিব। অৱশ্যে দলত নাথাকিলেও মেচখন চলি থকাৰ মাজতে দলত যোগদান কৰিব ৰোহিতে। ২৪ নৱেম্বৰত অষ্ট্ৰেলিয়াত উপস্থিত হোৱাৰ কথা ৰোহিত। অৰ্থাৎ প্ৰথম টেষ্টৰ তৃতীয় দিনা ভাৰতীয় দলত যোগদান কৰিব ৰোহিতে। ১৫ নৱেম্বৰত জন্ম হৈছিল খেলুৱৈগৰাকীৰ দ্বিতীয় সন্তান। সেয়ে ৰোহিতে অষ্ট্ৰেলিয়াত দলৰ সৈতে একেলগে উপস্থিত হ'ব পৰা নাই। কিন্তু এই মেচত নেখেলিলেও তেওঁৰ উপস্থিতিয়ে দলটোক সহায় কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে। প্ৰথমতে পাৰ্থ টেষ্টৰ পূৰ্বে ৰোহিতে দলত যোগদান কৰিব পাৰিব বুলি ভবা হৈছিল। অৱশ্যে ক্ৰিকবাজে প্ৰকাশ কৰা এক প্ৰতিবেদন অনুসৰি ৰোহিতে দেওবাৰে দলত যোগদান কৰাৰ কথা ইতিমধ্যে বিচিচিআইক অৱগত কৰিছে। এডিলেইডত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন টেষ্ট আৰু ছিৰিজৰ বাকী মেচসমূহৰ বাবে তেওঁ সাজু হৈ আছে। ইফালে, দলটোৰ পৰিচালনাৰ বিষয়ে সোধাত যশপ্ৰীত বুমৰাই এক সংবাদমেলত কয় যে, এই সন্দৰ্ভত মই পূৰ্বে ৰোহিতৰ সৈতে কথা পাতিছো। কিন্তু অষ্ট্ৰেলিয়ালৈ অহাৰ পিছত মোৰ ধাৰণাটো অধিক স্পষ্ট হৈ পৰিছে।" মহম্মদ ছামিৰ অংশগ্ৰহণক লৈয়ো মন্তব্য কৰে বুমৰাহে। শৃংখলাৰ বাকী থকা মেচসমূহত ছামিয়ে ভাগ লোৱাৰ সম্ভাৱনা থকাৰো ইংগিত প্ৰদান কৰে। তেওঁ কয়, "আঘাতৰ পৰা সুস্থ হৈ উঠাৰ পিছত ছামিয়ে খেল আৰম্ভ কৰিছে। আমি তেওঁৰ সৈতে অহৰহ যোগাযোগত আছো।"

# বিলাসীপাৰা কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পৰ্কে আমছুৰ বিশেষ সভা

**ই-সংবাদ, বিলাসীপাৰা, ২১ নৱেম্বৰঃ** বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত বিলাসীপাৰা মহাবিদ্যালয়ৰ প্ৰায় সাত বছৰ কাল ছাত্ৰ একতা সভাৰ নিৰ্বাচন বন্ধ হৈ আছিল। বিভিন্ন ছাত্ৰ গোটৰ তৎপৰতাত এইবাৰ মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনুমতি প্ৰদান কৰাৰ লগতে অহা ২৫ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। উক্ত নিৰ্বাচনৰ বাবে প্ৰতিটো ছাত্ৰ সংগঠনে আৰম্ভ কৰিছে নিৰ্বাচনী প্ৰচাৰ। এইক্ষেত্ৰত পিছপৰি থকা নাই বিলাসীপাৰা জিলা আমছু।বিলাসীপাৰা কলেজত ছাত্ৰ একতা সভাৰ নিৰ্বাচন উপলক্ষে আজি বিলাসীপাৰা প্ৰতিমা বৰুৱা পাণ্ডেৰ প্ৰেক্ষাগৃহ প্ৰাংগণত অনুষ্ঠিত সভাৰ জৰিয়তে শক্তি প্ৰদৰ্শন কৰে আমছুৱে। সভাত আমছুৰ কেন্দ্ৰীয় সহ-সম্পাদক ৰেজ্জাকুল ইছলাম, সাংগঠনিক সম্পাদক আব্দুল ওৱাহাব মণ্ডল, প্ৰাক্তন উপ-



সভাপতি মনোৱাৰ হোছেন, বিলাসীপাৰা আমছুৰ সভাপতি হাছান আলীকে ধৰি আমছু কেন্দ্ৰীয় সমিতি, জিলা সমিতি আৰু আমছুৰ প্ৰাক্তন নেতৃত্ববৰ্গ উপস্থিত থাকি আমছু সমৰ্থিত প্ৰাৰ্থী সকলক জয়ী কৰাবলৈ ছাত্ৰ-ছাত্ৰীক আহ্বান জনায়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি